ভিতৰৰ পৃষ্ঠাত
৩ পৃষ্ঠাত ঃ
চিৰাং জিলাৰ বানপানী সন্দৰ্ভত অধ্যয়নকাৰী দলৰ প্ৰতিবেদন

# গণশক্তি

সাপ্তাহিক বাতৰি কাকত

ভিতৰৰ পৃষ্ঠাত
৪ পৃষ্ঠাত ঃ
সাম্ৰাজ্যবাদবিৰোধী সংগ্ৰাম শক্তিশালী কৰাৰ সংকল্পৰে সামৰণি পৰিল ১৯সংখ্যক বিশ্ব ছাত্ৰ-যুৱ মহোৎসৱ

✷ একছল্লিশ বছৰ ✷ দ্বাদশ সংখ্যা ✷ শুক্ৰবাৰ ✷ ১ ডিচেম্বৰ, ২০১৭ চন ✷ গুৱাহাটী ✷ দাম ঃ ৫.০০ টকা

# গণতন্ত্ৰ ৰক্ষা-উচ্ছেদ বন্ধ কৰাৰ দাবীত চিপিআই (এম) বিক্ষোভ

**গুৱাহাটী, ২৯ নৱেম্বৰ ঃ** চি পি আই (এম)ৰ কামৰূপ মহানগৰ জিলা কমিটিৰ উদ্যোগত গণতন্ত্ৰ ৰক্ষা, অখিল গগৈৰ বিনাচৰ্তে মুক্তি আৰু উচ্ছেদ অভিযান বন্ধ ৰখাৰ দাবীত গুৱাহাটীৰ দীঘলীপুখুৰীপাৰত ধৰ্ণা কাৰ্যসূচী আজি (২৯ নৱেম্বৰত) অনুষ্ঠিত হয়। কেবা'শ লোকে উক্ত প্ৰতিবাদী ধৰ্ণাত যোগ দিয়ে আৰু উচ্ছেদ বিৰোধী তথা ৰাজ্যত গণতন্ত্ৰ ৰক্ষাৰ দাবীৰ শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ধৰ্ণাৰ পৰা অসমৰ মুখ্যমন্ত্ৰীৰ উদ্দেশ্যে প্ৰেৰণ কৰা দুখন স্মাৰক পত্ৰৰ যোগেদি ৰাজ্যখনত গণতন্ত্ৰ আৰু মুক্তভাৱে মতামত প্ৰকাশৰ জনগণৰ সাংবিধানিক গণতান্ত্ৰিক অধিকাৰ ৰক্ষা, ড° হীৰেন গোহাঁই তথা অন্যান্য বুদ্ধিজীৱীসকলৰ বিৰুদ্ধে পুলিচী ব্যৱস্থা লোৱাৰ পৰা বিৰত থকা, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতা অখিল গগৈক বিনাচৰ্তে মুক্তি দিয়া, বিকল্প বাসস্থানৰ ব্যৱস্থা নকৰালৈকে উচ্ছেদ কাৰ্য বন্ধ




ৰখা আৰু উচ্ছেদিত পৰিয়ালবোৰৰ শীঘ্ৰে পুনৰ সংস্থাপন তথা পৰ্যাপ্ত ক্ষতিপূৰণৰ দাবী জনোৱা হয়। ধৰ্ণা কাৰ্যসূচীত দলৰ জ্যেষ্ঠ নেতা হেমেন দাস, ৰাজ্যিক সম্পাদক দেবেন ভট্টাচাৰ্য্য, কেন্দ্ৰীয় কমিটিৰ সদস্য উদ্ধৱ বৰ্মন আৰু বিশিষ্ট বুদ্ধিজীৱী ড° দীনেশ বৈশ্যই বক্তব্য ৰাখে। সকলো বক্তাই ৰাজ্যৰ বিজেপি চৰকাৰে যিধৰণে জনগণৰ বাকস্বাধীনতা আৰু প্ৰতিবাদ সাব্যস্ত কৰাৰ গণতান্ত্ৰিক অধিকাৰৰ ওপৰত আঘাত হানিব ধৰিছে তাৰ প্ৰতি গভীৰ উদ্বেগ প্ৰকাশ কৰে। তেওঁলোকে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতা অখিল গগৈক জাতীয় নিৰাপত্তা আইনৰ অধীনত কাৰাৰুদ্ধ কৰি ৰখাৰ তীব্ৰ বিৰোধিতা কৰে। ই গণতন্ত্ৰৰ কাৰণে এক ভয়াবহ অশনি সংকেত বুলি বক্তাসকলে কয়। ড০ হীৰেন গোহাঁইকে ধৰি ৰাজ্যখনৰ কিছুমান আগশাৰীৰ স্বাধীনচিতীয়া বুদ্ধিজীৱীৰ বিৰুদ্ধে পুলিচী ব্যৱস্থা ল'বলৈ যিধৰণে ৰাজ্য চৰকাৰ আগবাঢ়িছে সিও বাকস্বাধীনতা আৰু গণতন্ত্ৰৰ বাবে ভয়াবহ ইঙ্গিতবাহী। বুদ্ধিজীৱীসকলৰ প্ৰতিবাদী কণ্ঠ ৰোধ কৰিবলৈ চৰকাৰ আগবাঢ়িছে। চৰকাৰৰ জনবিৰোধী নীতি আৰু পদক্ষেপৰ যি কোনো সমালোচনাক 'ৰাষ্ট্ৰদ্ৰোহিতা'ৰ ছাপ মাৰি বিজেপি চৰকাৰে স্তব্ধ কৰিব বিচাৰিছে। বক্তাসকলে আঙুলিয়াই দিয়ে যে বৰ্তমান কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ ৰাজনৈতিক আৰু মতাদৰ্শগত অভিভাৱক আৰু এছ এছ চূড়ান্তভাৱে গণতন্ত্ৰবিৰোধী।

বৃহত্তৰ গুৱাহাটীৰ আমচাং বনাঞ্চল সংৰক্ষণৰ নামত উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ গইনা লৈ ৰাজ্য চৰকাৰে কোনো

৬ পৃষ্ঠাত চাওক...

## কৰ্মফল আৰু ৰাজনীতি

# চৰকাৰৰ প্ৰতিনিধিৰ এলান্ধুকলীয়া ধাৰণা

■ ড° শিৱনাথ বৰ্মন

কেন্সাৰ আদি দুৰাৰোগ্য ব্যাধিবোৰ পূৰ্বজন্মৰ কৰ্মফল বুলি কৈ বৰ্তমান চৰকাৰৰ ডক্টৰেট উপাধিধাৰী স্বাস্থ্যৰ লগতে শিক্ষা বিভাগৰো দায়িত্বত থকা মন্ত্ৰীগৰাকীয়ে কেৱল আমাৰ ৰাজ্যতে নহয়, সমগ্ৰ ভাৰততে খলকনি তুলিছে। ইয়াৰ পূৰ্বে বৰ্তমান চৰকাৰৰ একান্ত সমৰ্থক অশীতিপৰ সমাজ সচেতন ব্যক্তি এগৰাকীয়ে জাত-পাতৰ প্ৰশ্ন তুলি অসমৰ সচেতন সমাজক চমকিত কৰি তুলিছিল। এনে তৰহৰ কাণ্ড-কাৰখানা পূৰ্বৰ কোনো চৰকাৰৰ দিনতে হোৱাৰ নজিৰ নাই। বৰ্তমান চৰকাৰৰ দিনত কিয় এনে হ'বলৈ পালে, আন ভাষাত কৰ্মফল, জাতিভেদ আদিৰ লগত ৰাজনীতিৰ কিবা সম্পৰ্ক আছে নেকি বা থাকিলেও ই কেনেধৰণৰ তাৰ কিঞ্চিৎ সন্ধান কৰাই এই চমু লেখাটিৰ উদ্দেশ্য। কৰ্মফল, পূৰ্বজন্ম, জাতিভেদ আদিৰ ধাৰণা সুপ্ৰাচীন হ'লেও এইবোৰ অনাদি নহয়। ঋক্ বৈদিক যুগত এনেবোৰ ধাৰণা আছিল শূন্যপ্ৰায়। ইয়াৰ উকমুকনি ঘটে ব্ৰাহ্মণ যুগত। দৃষ্টান্তৰূপে শতপথ ব্ৰাহ্মণৰ এঠাইত ১২/৯/২০১১ কোৱা হৈছে যে এই জগতৰ মানুহে যি খাদ্য দান কৰিব, প্ৰতিদানত সেই খাদ্য তেওঁ লাভ কৰিব পৰজগতত। পৰৱৰ্তী কালৰ উপনিষদবিলাকত কৰ্মফল আৰু জন্মান্তৰবাদৰ প্ৰচুৰ উল্লেখ আছে। উদাহৰণস্বৰূপে ছান্দোগ্য উপনিষদত আছে, যাৰ ইহলোকত অৰ্জা শুভ কৰ্মফল (অৱশিষ্ট) আছে, তেওঁ ব্ৰাহ্মণ যোনি বা ক্ষত্ৰিয় যোনি বা বৈশ্য যোনিত অতিশীঘ্ৰে জন্মলাভ কৰে। যাৰ ইহলোকত অৰ্জা অশুভ কৰ্মফল (অৱশিষ্ট) আছে, তেওঁৰ কুকুৰ যোনি বা শুকৰ যোনি বা চণ্ডাল যোনিত অতিশীঘ্ৰে জন্মলাভ কৰে।

তথাপি ক'ব লাগিব উপনিষদৰ যুগলৈকে এনেবোৰ ধাৰণা আছিল বোকাৰ দৰে লেতুসেতু। কিন্তু পৰৱৰ্তী সমস্ত যুগবিলাকত ই শিলৰ দৰে কঠিন হৈ পৰিল। মনু স্মৃতিৰ দ্বাদশ অধ্যায়টো পঢ়িলেই ভাৰতীয়ৰ মানসত এইবোৰ ধাৰণা কিমান দৃঢ়মূল হৈ পৰিছিল, পঢুৱৈয়ে তাৰ উমান পাব।

প্ৰশ্ন হয়, ভাৰতীয় ইতিহাসৰ আদিকালত যিবোৰ ধাৰণা শূন্যপ্ৰায় আছিল সি মধ্যযুগৰ মানসিকতাক মকৰাজালৰ দৰে ছানি পেলাব পাৰিলে কেনেকৈ?

৪ পৃষ্ঠাত চাওক...

# উচ্ছেদ অভিযান বিকল্প নীতিৰ উদাহৰণ

■ সুপ্ৰকাশ তালুকদাৰ

আমচাং অভয়াৰণ্য বেদখলমুক্ত কৰাৰ নামত শ শ পৰিয়ালৰ বিৰুদ্ধে অসম চৰকাৰে যি বৰ্বৰতা প্ৰদৰ্শন কৰিলে, সি ৰাজ্যজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এটা ৰায়ৰ অজুহাতত তিনিমাহৰ ভিতৰত দুবাৰকৈ এই উচ্ছেদ অভিযান চলোৱা হ'ল। বহু সময়ত ধাৰণা হয় যে ন্যায়পালিকায়ো পৰিণতি সম্পৰ্কে গভীৰভাৱে বিচাৰ নকৰাকৈ কেতবোৰ যান্ত্ৰিক নিৰ্দেশ দিয়ে। নব্য-উদাৰতাবাদে ন্যায়পালিকাকো প্ৰভাৱিত কৰা নাই বুলি ডাঠি কোনেও ক'ব নোৱাৰে। যি কি নহওক, ন্যায়ালয়ৰ নিৰ্দেশ বা ৰায় কাৰ্যকৰী কৰাৰ সময়ত সৰ্বাধিক সতৰ্ক হোৱা উচিত কাৰ্যপালিকা— চৰকাৰ। কাৰণ সামাজিক পৰিণতি আৰু প্ৰভাৱৰ মুখামুখি হ'ব লাগিব চৰকাৰ আৰু প্ৰশাসনেই। দেখা গ'ল আমচাং অভয়াৰণ্য সম্পৰ্কত ৰায় বা নিৰ্দেশ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত চৰম কাণ্ডজ্ঞানহীন আৰু অসংবেদনশীলতাৰ পৰিচয় দিলে ৰাজ্যখনৰ বিজেপি নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰখনে। জাতি-মাটি-ভেটি ধ্বনিৰে ক্ষমতালৈ অহা চৰকাৰখনে আমচাঙত প্ৰথম উচ্ছেদ অভিযানৰ সূত্ৰপাত কৰে ২০১৭ চনৰ ২৫ আগষ্টত। কিন্তু এই অভিযানে ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। উচ্ছেদিত গৰিব পৰিয়ালবোৰেও তীব্ৰ প্ৰতিবাদ আৰু প্ৰতিৰোধৰ বাবে সংগঠিত হয়। এনে

৬ পৃষ্ঠাত চাওক...

# উচ্ছেদৰ বিৰুদ্ধে পাঞ্জাবাৰীত চিপিআই (এম)ৰ প্ৰতিবাদী কাৰ্যসূচী

বৃহত্তৰ গুৱাহাটীৰ আমচাং অঞ্চলত ৰাজ্য চৰকাৰৰ অমানৱিক উচ্ছেদ অভিযানৰ বিৰুদ্ধে ২৮ নৱেম্বৰত পাঞ্জাবাৰীৰ নৱজ্যোতি নগৰৰ চ'কত চি পি আই (এম)ৰ গুৱাহাটী দক্ষিণ-পূৱ আঞ্চলিক কমিটিৰ আহ্বানত এক প্ৰতিবাদী ধৰ্না কাৰ্যসূচী অনুষ্ঠিত হয়। ধৰ্নাত অংশগ্ৰহণকাৰী বিক্ষোভকাৰী সকলে 'বিকল্প বাসস্থানৰ ব্যৱস্থা নকৰালৈকে উচ্ছেদ বন্ধ ৰাখক', 'অমানৱিক ৰাজ্য চৰকাৰ হায় হায়' ইত্যাদি শ্ল'গানেৰে অঞ্চলটো উত্তাল কৰি তোলে। চি পি আই (এম) ৰ ৰাজ্যিক সম্পাদক দেৱেন ভট্টাচাৰ্য্যই ধৰ্না কাৰ্যসূচীত বক্তব্য আগবঢ়াই কয় যে চৰকাৰে উচ্ছেদ অভিযান চলাই কেৱল নিৰিহ ৰাইজৰ ঘৰ-বাৰী ভাঙিয়েই ক্ষান্ত থকা নাই, বিদ্যালয় গৃহকো ধুলিস্যাত কৰিছে। যিসময়ত স্কুল-কলেজত ষান্মাষিক পৰীক্ষা চলিছে তেতিয়া পৰীক্ষাথীসকলৰ ঘৰবাৰী ভাঙি দিয়া হৈছে। বহু পৰীক্ষাথীয়ে পৰীক্ষা দিব পৰা নাই। ইয়াতকৈ অমানবিক আৰু কি হ'ব পাৰে বুলি ভট্টাচাৰ্য্যই প্ৰশ্ন কৰে। ৰাইজৰ বাসস্থানৰ ব্যৱস্থা কৰাৰ দায়িত্ব চৰকাৰৰ। কিন্তু চৰকাৰে সেই

৪ পৃষ্ঠাত চাওক...



# কাশ্মীৰ ঃ অতীত বৰ্তমান ভৱিষ্যৎ

(যোৱা সংখ্যাৰ পাছৰ পৰা)

শ্যামল চক্ৰৱৰ্তী
অনুবাদ ঃ গোপীনাথ শৰ্মা



**৩৭০ ধাৰা**

১৯৫২ চনৰ ২৪ জুলাইত জৱাহৰলাল নেহৰু আৰু শ্বেখ আবদুল্লাৰ মাজত যি চুক্তি হৈছিল তাত অধিকাৰৰ ক্ষেত্ৰত ৰজা হৰিসিঙৰ লগত হোৱা চুক্তিৰ বিষয়বোৰেই সংযুক্ত হৈছিল। অৱশ্যে চুক্তিমৰ্মে কেতবোৰ গুৰুত্বপূৰ্ণ পৰিৱৰ্তনো হয়। এই চুক্তিৰ ফলতে ৩৭০ ধাৰাৰ জন্ম হয়। ই ৰজা হৰি সিঙৰ লগত হোৱা চুক্তি মৰ্মে ৰচিত হোৱা জম্মু আৰু কাশ্মীৰ ৩০৬ (এ) ধাৰাৰ পৰিৱৰ্তিত আৰু পৰিবৰ্ধিত ৰূপ।

এই চুক্তিৰ দহটি দফাৰ ভিতৰত (এইবোৰৰ ভিত্তিতেই ৩৭০ ধাৰা ৰচিত হৈছিল) কেইটামান গুৰুত্ব পূৰ্ণ বৈশিষ্ট্য হ'ল ঃ

১। ভাৰতৰ অন্যান্য অংগৰাজ্যবোৰৰ ক্ষেত্ৰত ৰেচিদুৱেৰী পাৱাৰ অফ লেজিচলেচনৰ (অৰ্থাৎ কেন্দ্ৰ ৰাজ্যৰ হাতত নিৰ্দিষ্ট যি আইন প্ৰণয়নৰ ক্ষমতা আছে তাৰ বাহিৰেও আইন কৰাৰ ক্ষমতা একমাত্ৰ কেন্দ্ৰৰ হাতত) ক্ষমতা কেন্দ্ৰৰ হাতত— কিন্তু জম্মু-কাশ্মীৰৰ ৰাজ্যৰ ক্ষেত্ৰত এই ৰাজ্যৰ হাততে থাকিব।

২। এই ৰাজ্যৰ অধিবাসীসকল ভাৰতীয় নাগৰিক হিচাপে গণ্য হ'ব, ৰাজ্যৰ আইন সভাৰ হাতত ক্ষমতা থাকিব— এই ৰাজ্যৰ অধিবাসীসকলৰ সংজ্ঞা নিৰ্ধাৰণ কৰা, তেওঁলোকৰ সুবিধা আৰু অধিকাৰ নিৰ্ধাৰণ কৰা আৰু বিশেষকৈ স্থাৱৰ সম্পত্তি অধিগ্ৰহণ কৰাৰ। চৰকাৰী কৰ্মচাৰী নিয়োগৰ ক্ষেত্ৰত ৰাজ্যৰ আইন সভাই আইন নকৰিলে ভাৰতীয় নাগৰিকসকলে এই সুবিধা পাব নোৱাৰিব। ১৯৪৭ চনৰ গোলমালৰ সময়ত অথবা তাৰ পূৰ্বে যিসকলে জম্মু-কাশ্মীৰ এৰি গৈছে তেওঁলোক যদি ফিৰি আহে তেন্তে তেওঁলোকে যাতে নাগৰিকত্ব পায় সেই কথা বিবেচনা কৰা হ'ব। শেখ আব্দুল্লাই আনন্দৰে ঘোষণা কৰিছিল ঃ 'ভাৰত চৰকাৰে সুৰক্ষাৰ প্ৰয়োজনীয়তাৰ কথা স্বীকাৰ কৰিছে।' (An agreement reached between the leaders of Kashmir and the Government of India. A summery of which was read out by Nehru in Indian Parliament on 24 July 1952 and by Abdullah in Kashmir Constituent Assembly in 11 August 1952. The provisions of the Agreement explained by Abdullah– JB Das Gupta– Jammu and Kashmir. p- 198)

৩। মৌলিক অধিকাৰ ঃ শ্বেখ আব্দুল্লাৰ লক্ষ্য আাছিল ভূমি সংস্কাৰ। ৰজা আৰু জমিদাৰসকলৰ হাতৰ পৰা বিনা ক্ষতিপূৰণে ভূমি বাজেয়াপ্ত কৰা। ভাৰতীয় সংবিধানৰ মৌলিক অধিকাৰৰ সূত্ৰ অনুযায়ী ৰাজ্য চৰকাৰবোৰ এনে ক্ষতিপূৰণ দিবলৈ বাধ্য ছিল। এইবাবে ভাৰতীয় সংবিধান পুৰাপুৰি গ্ৰহণ কৰিবলৈ শ্বেখ আব্দুল্লাৰ মতবিৰোধ আছিল। কোৱা বাহুল্য যে ভূমি সংস্কাৰৰ বিষয়ত শ্বেখেই আছিল ভাৰতত পথিকৃৎ। চুক্তিত মৌলিক অধিকাৰৰ বিষয়টো ক'ত কিমানখিনি প্ৰয়োগ কৰা হ'ব সেইটো ৰাজ্যৰ আইন সভাৰ ওপৰতে এৰি দিয়া হৈছিল। নেহৰুৱে নিজেই ইংগিত দিছিল যে যিসকলে অনুপ্ৰৱেশ, অন্তৰ্ঘাত বা চৰৰ কাম কৰিব তেওঁলোকক মৌলিক অধিকাৰৰ পৰা বঞ্চিত কৰা হ'ব।

৪। ছুপ্ৰিম ক'ৰ্ট ঃ ভাৰতীয় সংবিধানৰ ১৩১ ধাৰা কাশ্মীৰৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। এই ধাৰাত কোৱা হৈছে— কেন্দ্ৰ আৰু এক বা একাধিক ৰাজ্যৰ বিৰোধ অথবা এখন ৰাজ্যৰ লগত হোৱা আন এখন ৰাজ্যৰ বিৰোধ ছুপ্ৰিম কোৰ্টে নিষ্পত্তি কৰিব. শ্বেখ আব্দুল্লাই কনষ্টিটিউয়েণ্ট এচেম্বলীত কৈছিল ভাৰত চৰকাৰে বিচাৰিছিল যে দেৱানী আৰু ফৌজদাৰী মকৰ্দমাৰ আপীলৰ ক্ষেত্ৰত ছুপ্ৰিম কোৰ্টৰ ৰায়েই চূড়ান্ত হ'ব, কিন্তু কাশ্মীৰৰ প্ৰতিনিধিসকলৰ আপত্তিৰ পৰিপ্ৰেক্ষিতত ঠিক হয় যে এই বিষয়ে পিছত বিবেচনা কৰা হ'ব।

৫। জাতীয় পতাকা ঃ এই ক্ষেত্ৰত সিদ্ধান্ত হয় যে ভাৰতৰ জাতীয় পতাকা ৰাজ্যৰ পতাকাৰ ওচৰাওচৰিকৈ উৰিব।

৬। ৰাজ্যৰ প্ৰশাসনিক প্ৰধান ঃ ৰাজ্যৰ আইন সভাৰ পৰামৰ্শ অনুসৰি ভাৰতৰ ৰাষ্ট্ৰপতিয়ে প্ৰশাসনিক প্ৰধান নিয়োগ কৰিব। এওঁৰ কাৰ্যকাল হ'ব পাঁচ বছৰ। ভাৰতৰ অন্য ৰাজ্যত এই দায়িত্বত থাকে ৰাজ্যপাল আৰু কেন্দ্ৰীয় মন্ত্ৰীসভাৰ পৰামৰ্শ ক্ৰমে ৰাষ্ট্ৰপতিয়ে তেওঁক নিয়োগ কৰে।

৭। জৰুৰী ক্ষমতা ঃ ভাৰতীয় সংবিধানৰ ৩৫২ ধাৰাত উল্লেখ আছে যে ৰাষ্ট্ৰপতিয়ে নিম্নলিখিত যিকোনো অৱস্থাত জৰুৰী অৱস্থা জাৰি কৰিব পাৰে। (ক) বৈদেশিক আক্ৰমণ, (খ) যুদ্ধ বা আভ্যন্তৰীণ বিশৃংখলা (গ) যেতিয়া ৰাজ্য চৰকাৰৰ ওপৰত ন্যস্ত কোনো কোনো ক্ষমতা কেন্দ্ৰীয় চৰকাৰে প্ৰয়োগ কৰাৰ প্ৰয়োজনীয়তা আহি পৰে। কিন্তু কাশ্মীৰৰ ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম কৰি চুক্তি কৰা হ'ল যে ৰাজ্য চৰকাৰৰ সন্মতি অথবা অনুৰোধতহে জৰুৰী অৱস্থা জাৰি কৰিব পৰা যাব।

এই চুক্তিৰ পিছত ২১ আগষ্ট ১৯৫২ত কাশ্মীৰৰ কনষ্টিটিউৱেণ্ট এচেম্বলীত সৰ্বসন্মতিক্ৰমে ৰাজতন্ত্ৰৰ অৱসান আৰু পাঁচ বছৰৰ বাবে প্ৰশাসনিক প্ৰধান নিৰ্বাচনৰ প্ৰস্তাৱ লোৱা হয়। ১২ নৱেম্বৰ ১৯৫২ ত কনষ্টিটিয়েণ্ট এচেম্বলীত সংবিধান সংশোধন কৰি প্ৰশাসনিক প্ৰধানৰ পদৰ নামকৰণ কৰা হয় সদৰ-ই-ৰিয়াসৎ। দুদিন পিছত এচেম্বলীয়ে (১৪ নৱেম্বৰত) মহাৰজাৰ পুত্ৰ যুৱৰাজ কৰণ সিঙক সদৰ-ই-ৰিয়াসৎ পদত পাঁচ বছৰৰ বাবে নিৰ্বাচিত কৰে। হিন্দু-মুছলমানৰ ঐক্যৰ দিশলৈ লক্ষ্য ৰাখি নেচনেল কনফাৰেন্সে মহাৰাজৰ পুত্ৰ যুৱৰাজ কৰণ সিঙক এই প্ৰদান পদটোৰ দায়িত্ব দিয়ে। এই প্ৰসংগত উল্লেখ কৰিব পাৰি যে এইজন কৰণ সিং পৰৱৰ্তী কালত বিশ্ব হিন্দু পৰিষদৰ অন্যতম প্ৰতিস্থাতা আৰু বৰ্তমান কংগ্ৰেছ নেতা।

কাশ্মীৰক বিশেষ মৰ্যাদা দিয়াৰ বিৰুদ্ধে সাম্প্ৰদায়িক শক্তি— বিশেষকৈ জম্মু প্ৰজা পৰিষদ আৰু জনসংঘই যেতিয়া প্ৰচাৰ আৰম্ভ কৰিছিল তেতিয়া শ্বেখ আব্দুল্লাই ভাৰতীয় জনগণৰ এই বুলি দৃষ্টি আকৰ্ষণ কৰিছিল যে এই হ'ল হৃদয়ৰ বন্ধন। পৃথিৱীৰ কোনো শক্তিয়ে এই বন্ধন ছিন্ন কৰিব নোৱাৰিব। কিন্তু এককভাৱে যদি কোনোবাই এই সম্পৰ্কৰ পৰিৱৰ্তন কৰিব বিচাৰে তেতিয়া ই হ'ব সংবিধানৰ মৰ্মবস্তুকে পৰিৱৰ্তন কৰা আৰু এনে কাৰ্যই ভাৰত আৰু কাশ্মীৰৰ সম্পৰ্কৰ ক্ষেত্ৰত বিপদজনক ফলাফল মাতি আনিব পাৰে। (Based on Abdullah's speech in the Constituent Assambly of Kashmir, 11 August 1952. For text AG Noorani. The Kashmir Question, Bombay 1964)

কিন্তু শেষ পৰ্যন্ত কনষ্টিটিউয়েণ্ট এচেম্বলীত তেতিয়া সংযুক্তিৰ প্ৰশ্ন আলোচিত হোৱা নাছিল। জেলৰ পৰা মুক্ত হোৱাৰ পিছত শ্বেখ আব্দুল্লাই কৈছিল, 'মই সংযুক্তি প্ৰস্তাৱ আৰু আমাৰ অন্যান্য প্ৰতিশ্ৰুতিবোৰ এচেম্বলীত অনুমোদন কৰাব বিচাৰিছিলো। ভাৰত চৰকাৰ, নিৰাপত্তা পৰিষদ আৰু লোকসভাই এচেম্বলীৰ এই অধিকাৰৰ হৈ যুঁজ কৰিবলগীয়া হৈছিল।' এই বিবৃতিৰ সত্যতা সম্পৰ্কে প্ৰশ্নই নুঠে। কাৰণ নেহৰুৱে ১৯৫২ চনৰ ২১ জুনত এখন সাংবাদিক সন্মিলনত শ্বেখ আব্দুল্লাৰ এখন চিঠিৰ উদ্ধৃতি দিছিল। চিঠিত লেখা আছিল— 'মই আপোনাক জনাওঁ যে কাশ্মীৰৰ কনষ্টিটিউয়েণ্ট এচেম্বলীৰ প্ৰথম অধিৱেশনতে ভাৰতৰ লগত সংযুক্তিৰ প্ৰস্তাৱ গ্ৰহণ কৰাৰ ইচ্ছা আছিল। কিন্তু ৰাষ্ট্ৰসংঘৰ ওচৰত বিষয়টো বিব্ৰতকৰ হ'ব পাৰে বুলি আমাক এই কামৰ পৰা বিৰত থাকিবলৈ কোৱা হৈছিল।' ইতিমধ্যে জম্মুত প্ৰজা পৰিষদ আৰু জনসংঘই পানী ঘোলা কৰি তুলিছিল— এক ৰাষ্ট্ৰপতি, এক পতাকা, এক সংবিধান এই দাবী তুলি। তেওঁলোকে শ্বেখ আব্দুল্লাক সাম্প্ৰদায়িকতদাবাদী বুলি অভিযোগ তুলি আন্দোলন গঢ়ি তুলিছিল।

দিল্লী চুক্তি স্বাক্ষৰিত হোৱাৰ পিছতেই চুক্তিৰ বিৰুদ্ধে বিক্ষোভ আন্দোলন গঢ়ি তোলে জম্মু-প্ৰজা পৰিষদে। ইমান দিনে এই সংগঠনটো ৩৭০ ধাৰা বিলোপৰ দাবীত প্ৰবক্তা আছিল। এইবাৰ তেওঁলোকে দিল্লী চুক্তিৰ বিৰোধিতাত অৱতীৰ্ণ হ'ল। ভাৰতীয় জনসংঘই প্ৰজা পৰিষদৰ এই দাবী দেশৰ বিভিন্ন টাইত উত্থাপন কৰে। এই হিন্দু সাম্প্ৰদায়িক দলৰ জন্ম হৈছিল ১৯৫১ চনত। শ্বেখ আব্দুল্লাৰ কাশ্মীৰী প্ৰাধান্যপূৰ্ণ শাসনে জম্মুৰ মানুহক হতাশ কৰিছিল। শ্বেখ আব্দুল্লাই জম্মুৰ মানুহৰ সমস্যাৰ প্ৰতি সংবেদনশীল দৃষ্টিভংগী গ্ৰহণ কৰা নাছিল। ফলত জম্মুৰ সাধাৰণ মানুহৰ মাজত আঞ্চলিক ক্ষোভ প্ৰকট হৈ উঠে। এনে আঞ্চলিক ক্ষোভক কামত লগাবলৈ সক্ৰিয় হৈ উঠে হিন্দু মৌলবাদী শক্তি। জম্মু অঞ্চলৰ কিছু ধৰ্মনিৰপেক্ষ মানুহে কাশ্মীৰী প্ৰভাৱাধীন শাসনৰ পৰিপ্ৰেক্ষিতত জম্মুত আঞ্চলিক স্বায়ত্তশাসনৰ কথা উত্থাপন কৰিছিল। সাংবাদিক সন্মিলনত দিল্লী চুক্তিৰ সিদ্ধান্ত ঘোষণা কৰাৰ সময়ত নেহৰুৱে বিষয়টো ভৱিষ্যতে বিবেচনা কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিছিল আৰু শ্বেখ আব্দুল্লাই ইয়াৰ সহমত পোষণ কৰিছিল। কিন্তু হিন্দু সাম্প্ৰদায়িকতাৰ প্ৰবক্তাসকলে জম্মুৰ মানুহৰ আঞ্চলিক স্বায়ত্তশাসন সংক্ৰান্তীয় দাবীক অগ্ৰাহ্য কৰি তাত হিন্দু সাম্প্ৰদায়িক প্ৰচাৰ চলায়েই আছিল আৰু জম্মু-কাশ্মীৰক জোৰ কৰি ভাৰতৰ অংগীভূত কৰাৰ বাবে তীব্ৰ দাবী তুলিলে। ভাৰতীয় জনসংঘ, হিন্দু মহাশভা আৰু প্ৰজা পৰিষদ আদি মৌলবাদী সংগঠনৰ কাশ্মীৰৰ স্বাতন্ত্ৰ্য আৰু বিশেষ অৱস্থানৰ অবলুপ্তিৰ দাবীয়ে নিঃসন্দেহে উপত্যকাৰ মানুহৰ অনুভূতি আৰউ সংবেদনশলীতাক আঘাত কৰিছিল।

(আগলৈ)

## পুনৰ্বাসনৰ ব্যৱস্থা অবিহনে উচ্ছেদ বন্ধ ৰাখক ঃ অসম জনজাতি অধিকাৰ মঞ্চ

আমচাং বনাঞ্চলত পুনৰ উচ্ছেদ কৰা কাৰ্যক অসম জনজাতি অধিকাৰ মঞ্চই তীব্ৰ বিৰোধিতা কৰে। কোনো ধৰণৰ বিকল্প পুনৰ্বাসনৰ ব্যৱস্থা নকৰাকৈ চৰকাৰ তথা প্ৰশাসনে চলোৱা উচ্ছেদ অমানৱীয় আৰু গভীৰ উদ্বেগৰ বিষয়। চৰকাৰে বন আইন কাৰ্যকৰী কৰি বহু বছৰে বসবাস কৰি থকা লোকসকলক ভূমিস্বত্ব দিয়াৰ পৰিৱৰ্তে উচ্ছেদ কৰা কাৰ্য নিন্দনীয়।

সংৰক্ষিত বনাঞ্চলবোৰত বিভিন্ন ধৰণে স্থানচ্যুত আৰু গৃহহাৰা হোৱা লোকসকলেও বসবাস কৰি আহিছে। এই বনাঞ্চলবাসী লোকসকলক স্থানান্তৰ কৰিবলৈ হ'লে চৰকাৰে পৰ্যাপ্ত ক্ষতিপূৰণ আৰু পুনৰবাসনৰ ব্যৱস্থা কৰা আৱশ্যক। কিন্তু শাসনাধিষ্ঠিত বিজেপি চৰকাৰখনে অৰণ্যবাসীক ভূমিস্বত্ব দিয়াৰ বাবে বনাঞ্চল আইন কাৰ্যকৰী কৰাৰ পৰিবৰ্তে ঘৰ-বাৰী ভাঙি খেদি পঠিওৱা কাৰ্য গৰিহণাযোগ্য।

অসম জনজাতি অধিকাৰ মঞ্চই, প্ৰশাসনে বনাঞ্চলত পুনৰ আৰম্ভ কৰা উচ্ছেদ কাৰ্য বন্ধ ৰাখি বসবাস কৰি থকা জনজাতি আৰু পৰম্পৰাগতভাৱে বাস কৰি অহা লোকসকলক ভূমিৰ মালিকীস্বত্ব প্ৰদান কৰাৰ বাবে দাবী জনায়।

# চিৰাং জিলাৰ বানপানী সন্দৰ্ভত অধ্যয়নকাৰী দলৰ প্ৰতিবেদন

*ডঃ হীৰেন গোহাঁইৰ পৰামৰ্শক্ৰমে পাঁচজনীয়া এটা প্ৰতিনিধি দলে চিৰাং জিলাৰ বানপীড়িত অঞ্চলসমূহ ভ্ৰমণ কৰি এক তথ্যভিত্তিক প্ৰতিবেদন প্ৰস্তুত কৰে। সেই প্ৰতিবেদন ইয়াত প্ৰকাশ কৰা হ'ল।*

অধ্যয়নে সামৰি লোৱা অঞ্চলসমূহ ঃ

১। দাবাবিল ঃ ৩১ নং ছিডলী সমষ্টিৰ অন্তৰ্গত এই অঞ্চলটো বঙাইগাঁৱৰ পৰা ২৫ কিলোমিটাৰ দূৰত্বত অৱস্থিত। কোঁচ-ৰাজবংশী বসতিপ্ৰধান অঞ্চল।

২। ছোটুনীলবাৰী ঃ বঙাইগাঁৱৰ পৰা ২৮ কিলোমিটাৰ দূৰত্বত অৱস্থিত। বড়ো বসতিপ্ৰধান অঞ্চল।

৩। ওদালগুৰি ২ নং আৰউ ৩নং মুছলমান প্ৰসতিপ্ৰধান অঞ্চল।

৪। ৩নং গাৰোগাঁও আৰু ৩নং নাচনগুৰি ঃ সৃজনগ্ৰাম চক্ৰৰ অন্তৰ্গত এই অঞ্চলটো বঙাইগাঁৱৰ পৰা ৪ কিলোমিটাৰ দূৰত্বত অৱস্থিত। মুছলমান বসতিপ্ৰধান অঞ্চল।

৫। ২ নং ধলাদণ্ডা ঃ বিজনী সমষ্টিৰ অন্তৰ্গত এই অঞ্চলটো বিজনীৰ পৰা ২৩ কিলোমিটাৰ দূৰত্বত অৱস্থিত। অনসূচিত জাতিৰ বাঙালী হিন্দু বসতিপ্ৰধান অঞ্চল।

৬। মাজাৰবাৰী ঃ বিজনীৰ পৰা ১২ কিলোমিটাৰ দূৰত্ব অৱস্থিত। মুছলমান বসতিপ্ৰধান অঞ্চল।

অধ্যয়নৰ পদ্ধতি ঃ অধ্যয়নটোৰ বাবে পৰিমাণগত (Quantitative) আৰু গুণগত (Qualitative) দুয়োটা পদ্ধতিয়েই ব্যৱহাৰ কৰা হৈছে।

**বানপানীৰ সমস্যাৰ কাৰণ ঃ** কোঁচ-ৰাজবংশীপ্ৰধান দাবাবিল নামৰ গাঁওখনৰ আৱাসীসকল পূৰ্বে ৰাণী সুন্দৰ নামৰ এখন গাঁৱত আছিল যদিও ১৯৮৮ চনৰ পৰা অৰম্ভ হোৱা আই নদীৰ খহনীয়াত ১৯৯৩ চনত এই গাঁওখন নদীত জাহ যোৱাত ১৯৯৫ চনৰ পৰা তেওঁলোকে দাবাবিলত বসতি কৰে। এই বছৰ গাঁওখনত বানৰ প্ৰবলতা সৰ্বাধিক। ইতিমধ্যে ১৫টা ঘৰ খহনীয়াত পৰিছে। স্থানীয় ৰাইজৰ মতে বেংতল ঘাটত থকা মথাউৰিটো যোৱা বছৰ দীঘলকৈ বনোৱা বাবে এইবাৰ খহনীয়া আৰু বানপানী অধিক হৈছে।

একেদৰেই মুছলমান বসতিপ্ৰধান ওদালগুৰি ২নং আৰু ৩ নং গাঁৱৰ বানৰো মূল কাৰণ হ'ল আইনদী। ২০১০ চনৰ পৰা এই অঞ্চলত খহনীয়া সৰ্বাধিক হৈছে। ২০০৬ চনত বনোৱা মথাউৰিটো ২০১০ চনত ধ্বংস হয়।

মুছলমান বসতিপ্ৰধান ৩ নং গাৰোগাঁও আৰু ৩ নং নাচনগুৰিত এইবাৰ পানী সৰ্বাধিক হৈছে। আগতে পানী ওলাই যায় যদিও এইবাৰ পানী ওলাই যোৱাত পলম হৈছে। ১৯৯৩ চনত বেংতলত উগ্ৰপন্থীৰ আক্ৰমণৰ পাছত চৰকাৰে এই অঞ্চলৰ লোকসকলক বালাজানী চেঁচাপানী চৰত বহুৱাইছিল যদিও চৰ ডুব যোৱাত তেওঁলোকে চৰকাৰৰ পৰা পোৱা সাহায্যৰ ধনেৰে গাৰোগাঁও আৰু নাচনগুৰিত মাটি কিনি বাস কৰিবলৈ লয়। কিন্তু এই মাটিও আইনদীৰ খহনীয়াত জাহ যোৱাত এতিয়া অধিকাংশ লোকে পথৰ কাষতে বাস কৰিবলগীয়া হৈছে।

ভূটান সীমান্তৰ পৰা প্ৰায় ৩০ কিলোমিটাৰ দূৰত্বৰ ২নং ধলাদণ্ডা গাঁৱত পানী অহাৰ কোনো নিৰ্দিষ্ট সময় নাথাকে। গাঁৱৰ মাজেদি বৈ যোৱা পাগলা নদী ১০ বছৰৰ আগতে এটা সৰু নলা আছিল যদিও এতিয়া এখন বৃহৎ নদী হৈ পৰিছে। বাংলাদেশৰ পৰা শৰণাৰ্থী হিচাপে অহা এই অঞ্চলটোৰ আৱাসীসকল অনুসূচিত জাতিৰ বাঙালী হিন্দু লোক। ভূটানৰ পৰা হঠাতে পানী এৰি দিয়াটোৱেই এই অঞ্চলটোৰ বানপানীৰ মূল কাৰণ হিচাপে আৱাসীসকলে চিহ্নিত কৰিছে। ভূটানৰ পৰা কেতিয়া পানী এৰা হ'ব, কিমান এৰা হ'ব সেই বিষয়ে প্ৰশাসনে তেওঁলোকক অৱগত নকৰে। সেয়েহে ভূটানৰ পাহাৰত মেঘ দেখিলেও তেওঁলোকে নিজাকৈ সাৱধানতা অৱলম্বন কৰে। ভূটানৰ কুৰিশ্বু বান্ধৰ বাবেই চিৰাঙৰ বিভিন্ন অঞ্চলত বানপানী হয় বুলি স্থানীয় ৰাইজে অনুমান কৰে।

**শিক্ষাত প্ৰভাৱ ঃ** বিদ্যালয়ত পানী সোমায় বাবে উল্লিখিত অঞ্চলসমূহৰ অধিকাংশ বিদ্যালয় আগষ্ট-ছেপ্টেম্বৰ মাহত বন্ধ থাকে। বিদ্যালয়সমূহত সাহায্য শিবিৰ পতা বাবেও এইসমূহ বন্ধ কৰিবলগীয়া হয়। যোৱা বছৰ ওদালগুৰি ২নং আৰু ৩ নং গাঁৱৰ মাদ্ৰাছাখন পানীত জাহ যোৱাত বহু ছাত্ৰ-ছাত্ৰীৰ শিক্ষাও সিমানতে অন্ত পৰে। এটা অংগনৱাড়ী কেন্দ্ৰও খহনীয়াত জাহ গৈছে। আনহাতে ৩নং গাৰোগাঁৱত এখন মাদ্ৰাছা, এখন প্ৰাথমিক বিদ্যালয় খহনীয়াত উছন হোৱাত বহু শিশুৰ শিক্ষাৰ অন্ত পৰিছে।

**বানসাহায্য আৰু চিকিৎসা সেৱা ঃ** দাবাবিলবাসীয়ে বান হোৱাৰ তিনিদিনৰ মূৰত চিকিৎসা সেৱা লাভ কৰে। তেওঁলোকৰ শিবিৰত আৰ এছ এছ, ৰিলায়েঞ্চ,. ৰবিংশংকৰ ফাউণ্ডেচন, পতঞ্জলী আদিয়ে সাহায্য আগবঢ়াইছে।

ওদালগুৰি ২নং আৰু ৩নং গাঁৱৰ আৱাসীয়ে সাহায্য, চিকিৎসা আৰু ঔষধ লাভ কৰিছে।

৩নং গাৰোঁগাঁও আৰু ৩ নং নাচনিগুৰি গাঁৱৰ ১৫ শতাধিক পৰিয়ালে মাত্ৰ তিনিদিনৰ সাহায্যহে পাইছিল আৰু কোনো চিকিৎসা সোৱা পোৱা নাছিল।

২নং ধলাদণ্ডাৰ প্ৰতিটো পৰিয়ালে এবাৰেই ২.৫ কিলোগ্ৰাম চিৰা আৰু চাউল পাইছিল যদিও কোনো চিকিৎসা সেৱা পোৱা নাছিল।

ছোটুনীলবাৰীৰ আৱাসীসকলে ডেৰ মাহৰ ৰেচন পাইছিল। চিকিৎসা সেৱা মাজে মাজে পায় যদিও সেয়া পৰ্যাপ্ত নহয়।

উল্লিখিত অঞ্চলসমূহত খোৱাপানী, শৌচালয়ৰ অভাৱ বুলি স্থানীয় লোকে অভিযোগ কৰে।

ক্ষয়-ক্ষতি আৰু জীৱিকাৰ সমস্যা ঃ দাবাবিল গাঁৱৰ সকলো লোক কৃষিজীৱী। তেওঁলোকে এনৰেগাৰ কাম পায় যদিও আন চৰকাৰী সা-সুবিধা পোৱা নাই। এইবাৰৰ বানত এই অঞ্চলত ১৫টা ছাগলী মৰিছে আৰু বহু বিঘা মাটি খহনীয়াত জাহ গৈছে।

ওদালগুৰি ২নং আৰু ৩ নং গাঁওবাসীয়ে প্ৰধানকৈ ধান, শাক-পাচলিৰ খেতি কৰি জীৱিকা অৰ্জন কৰে। কিন্তু এইবাৰ পথাৰত বালি পৰাত বহু বছৰলৈ ধান হোৱাৰ কোনো আশা নাই বুলি স্থানীয় লোকে ব্যক্ত কৰে। শেহতীয়া পানীত অঞ্চলটোৰ ১৫০ বিঘা মাটি খহনীয়াত জাহ যায়, ২৬টা পুখুৰী পোত যায়, ৫০০ ছাগলী-হাঁহ মৰে আৰু ২২৫টা পৰিয়ালৰ ঘৰ ধ্বংস হয়। গাঁও দুখনৰ মাদ্ৰাছা, মছজিদ, চিকিৎসা কেন্দ্ৰ খহনীয়াত জাহ গৈছে। বিগত সাতটা বানত প্ৰায় ১২০০ বিঘা মাটি খহনীয়াত জাহ গৈছে বুলি স্থানীয় লোকে কয়।

৩নং গাৰোগাঁও আৰু ৩নং নাচনগুৰিৰ পথাৰত এই বছৰ ৩-৪ ফুট পৰ্যন্ত বালি পৰাত বহু বছৰলৈ খেতি নোহোৱাটো নিশ্চিত হৈ পৰিছে। গাঁওখনৰ ২০টামান পুখুৰী বালিত পোত গৈছে। ম্যাদী মাটি খহনীয়াত জাহ গৈছে যদিও গাঁওবাসীয়ে কোনো ক্ষতিপূৰণ পোৱা নাই। এইবছৰ দুবাৰ পানী অহাত ৬০০ বিঘা মাটি খহনীয়াত জাহ যায়। খহনীয়াত এটা মছজিদ, এখন মাদ্ৰাছা আৰু এখন প্ৰাথমিক বিদ্যালয়ো নদীত উটি যায়। এই বছৰৰ বানত গাঁওখনত ১০০০ গৰু-ছাগলী মৰিছে। গাঁওখনৰ কোনো লোকেই কেতিয়াও চৰকাৰৰ পৰা কোনো ক্ষতিপূৰণ পোৱা নাই। গাঁওখনৰ অধিকাংশই বঙাইগাঁও আৰু বিজনীত হাজিৰা কৰে।

২নং ধলাদণ্ডাত এই বছৰ ৩০০ বিঘা খেতিৰ মাটি নষ্ট হৈছে। সেই অঞ্চলৰ আৱাসীসকলে প্ৰধানকৈ পাচলিৰ খেতি কৰে। অঞ্চলটোৰ বহু যুৱকে বাংগালোৰত চিকিউৰিটি গাৰ্ড আদি কাম কৰে।

ছোটুনীলবাৰীৰ ৪৫টা পৰিয়াল খহনীয়াৰ কবলত পৰি সৰ্বস্বান্ত হৈ যোৱা দুবছৰ ধৰি আন ঠাইত শিবিৰ পাতি আছে। 'ছুবাইজাৰ আইৰাখি কমিউনিটি হল'ত থকা এওঁলোকৰ ৩০০ বিঘা মাটি আইনদীত ইতিমধ্যে জাহ গৈছে। অঞ্চলটোৰ ৰাইজে মীন পালন, গৰু-গাহৰি আদি পুহিছিল যদিও বানত এই সকলোবোৰ শেষ হয়। মহিলাসকলেও তাত বোৱা, পশুপালন আদি কৰিছিল যদিও বৰ্তমান এয়া বন্ধ হৈ পৰিছে।

আমাৰ অধ্যয়নে সামৰি লোৱা এই সমূহ অঞ্চলৰে আৱাসীসকলক দাৰিদ্ৰ সীমাৰেখাৰ তলত থকা লোক। এই সমূহ লোকৰে প্ৰধান জীৱিকা হ'ল খেতি, পশুপালন আৰু দিন হাজিৰা। কিন্তু বানপানীৰ পাছত এওঁলোকে জীৱিকা অজচ্ছ্ৰনত অসুবিধাৰ সন্মুখীন হৈছে।

**মহিলাসকলৰ ওপৰত প্ৰভাৱ ঃ** দাবাবিল অঞ্চলৰ মহিলাসকল প্ৰধানকৈ পুৰুষৰ ওপৰতে নিৰ্ভৰশীল। দুই-এগৰাকীয়ে দিন হাজিৰা কৰি শাক-পাচলি বিক্ৰী কৰি ধন অৰ্জন কৰে যদিও বানপানীৰ সময়ত এয়া বন্ধ হৈ পৰে। শিবিৰত থকা অৱস্থাত গৰ্ভৱতী মহিলাই প্ৰয়োজনীয় চিকিৎসা সেৱা লাভ কৰিছে।

৩নং নাচনগুৰিৰ ৫৯৫টা পৰিয়ালেই ১৯৯৩ চনৰ গোষ্ঠী সংঘৰ্ষৰ বলি হৈছিল। গোষ্ঠী সংঘৰ্ষ আৰু বানপানীৰ মাজত ঐই অঞ্চলৰ মহিলাসকলে যোৱা তিনিটা দশক ধৰি যুঁজ কৰিবলগা হৈছে। বানপানীৰ সময়ছোৱাত গাঁওখনৰ ২০গৰাকী মহিলা গৰ্ভৱতী আছিল যদিও এওঁলোকে কোনো চিকিৎসা সেৱা পোৱা নাছিল। ভূৰ সাজি বাস কৰাৰ সময়ত ভূৰতেই ৩৪গৰাকীয়ে সন্তান প্ৰসৱ কৰে। অঞ্চলটোৰ অধিকাংশ ছোৱালীয়েই শিক্ষা আধৰুৱা কৰে আৰু কম বয়সতে বিয়াত বহিবলৈ বাধ্য হয়। ইয়াৰ এটা মূল কাৰণ বানপানী বুলি মহিলাসকলে উল্লেখ কৰে।

**বৈষম্য আৰু চৰকাৰৰ অৱহেলা ঃ** চিৰাং জিলাৰ বান হোৱা অঞ্চলসমূহত চৰকাৰৰ বৈষম্য আৰু অৱহেলাৰ ৰূপ স্পষ্ট হয়। ২০১৫ চনত দাবাবিলত এটা বালিৰ মথাউৰি সজা হৈছিল আৰু এবছৰৰ পাছত এইটো ভাঙি পৰে। বৰ্তমান ১.৮২ কোটি টকাৰ আন এটা মথাউৰিত অনুমোদন জনোৱা হৈছে। দাবাবিলবাসীৰ মতে বঙাইগাঁও শোধনাগাৰ আৰু ৰবৰ বাগানসমূহ ৰক্ষা কৰিবৰ বাবেই বেংতলৰ মথাউৰিটো অধিক দীঘল কৰা হয় যাৰ ফল তেওঁলোকে ভোগ কৰিবলগা হৈছে।

ওদালগুৰি ২নং আৰু ৩নং গাঁৱত ২০০৭ আৰু ২০১২ চনত মথাউৰি সজা হৈছিল যদিও বানপানী ৰোধ কৰাত ই বিশেষ কামত নাহিল। স্থানীয় লোকৰ মতে মথাউৰিসমূহ ভালদৰে নিৰ্মাণ নকৰাৰ লগতে এইসমূহ নিয়মীয়াকৈ চোৱা-চিতা কৰা হোৱা নাছিল।

মাজাৰবাৰী অঞ্চলত থকা মথাউৰিটো ৰাইজে নিজাকৈ চোৱা-চিতা কৰি আছে। মথাউৰিটো ভাহিলে মুহূৰ্তত বিজনী চহৰ ধ্বংস হোৱাৰ সম্ভাৱনা আছে যদিও চৰকাৰে কোনো গুৰুত্ব দিয়া নাই বুলি স্থানীয় লোকে অভিযোগ কৰে।

ওদালগুৰি ২নং আৰু ৩নং গাঁওবাসীয়ে ১৯৭২ চনৰ পৰা ২০১০ চনলৈ খাজনা দি আছিল যদিও সাতবছৰ পূৰ্বে চৰকাৰে হঠাতে খাজনা লোৱা বন্ধ কৰে। খাজনা দিয়াৰ ৪৫ বছৰৰ পাছতো এই মাটি ম্যাদী হোৱা নাই। ২০১০ চনত এই ঠাইত বিমান বন্দৰ নিৰ্মাণ কৰিবলৈ ৩৮২২ বিঘা মাটি সামৰি লোৱা হৈছিল যদিও সেই প্ৰকল্প নোহোৱাত তাৰে ১২৬৬ বিঘা মাটি ৰামদেৱৰ নেতৃত্বাধীন পতঞ্জলিক চৰকাৰে চমজাই দিয়ে। ৰাইজে আন্দোলন কৰি বাকী থকা মাটি বচালেও সেই মাটি ম্যাদী নোহোৱাত যিকোনো সময়তে প্ৰশাসনে পুনৰ লোৱাৰ শংকাত ভুগিছে গাঁওবাসীয়ে। পতঞ্জলিৰ প্ৰকল্পত ১০০ বিঘা মাটি বড়ো সম্প্ৰদায়ৰ কৃষকৰো গৈছে আৰু তেওঁলোকে ক্ষতিপূৰণ লাভ কৰিছে যদিও একে মাটিৰ বাবে অবড়ো সম্প্ৰদায়ৰ লোকে কোনো ক্ষতিপূৰণ পোৱা নাই। প্ৰায় ৪০ বছৰ ধৰি খেতি কৰি থকাৰ পাছতো সেই মাটি বিনা ক্ষতিপূৰণেৰে চৰকাৰে কাঢ়ি লোৱাত জীৱন-জীৱিকাৰ শংকাত দিন পাৰ কৰিছে গাঁওবাসীয়ে। তেওঁলোকে এই অঞ্চলত ১৯৫১ চনৰ পৰা বাস কৰি আছে। মূলতঃ এইসমূহ মাটি পট্টা ভূমি আছিল। ৰাজহ চক্ৰ বিষায়ই ছাৰ্ভে কৰি তৌজীৰ পৰা ম্যাদী কৰি মাটিখিনি প্ৰত্যেক পৰিয়ালকে ৮ বিঘাকৈ দিছিল। কিন্তু ইয়াৰ পাছত এই মাটি ছিডলী চক্ৰলৈ ট্ৰেন্সফাৰ কৰাৰ পাছত খাজনা লোৱা বন্ধ হয়। বানাক্ৰান্ত গাঁওবাসীয়ে তেওঁলোকৰ ভূমি ম্যাদী কৰিবৰ বাবে চিৰাঙৰ উপায়ুক্ত, ছিদলীৰ চক্ৰ বিষয়া আদিলৈ স্মাৰকপত্ৰ দিছে যদিও কোনো কামত অহা নাই।

ছোটুনীলবাসীৰ মতে মথাউৰিবোৰ বহু বছৰ ধৰি মেৰামতি কৰা হোৱা নাছিল বাবেই বান আৰু খহনীয়া প্ৰবল হ'ল। বালিপৰা পথাৰত খেতি কৰা সম্ভৱ নহয় বাবেই চৰকাৰৰ ওচৰত গাঁওবাসীয়ে জীৱিকাৰ বিকল্প উপায় বিচাৰিছে।

২নং ধলাদণ্ডা গাঁৱত কোনো বিদ্যালয়, চিকিৎসালয়ৰ সুবিধা নাই। সেই অঞ্চলৰ ২৫০০০ মানুহৰ ভিতৰত এটাই মাত্ৰ স্বাস্থ্যকেন্দ্ৰ আছে। এওঁলোকে বছৰত গড়ে ১-৭ দিনমানহে এনৰেগাৰ কাম পায়।

**ৰাইজৰ দাবী ঃ** উন্নত মথাউৰিৰ ব্যৱস্থা, গৰাখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা, খেতিৰ মাটিৰ বালি পৰা বাবে চৰকাৰী সাহায্য আৰু সংস্থাপনৰ দিহা কৰা, বানত ধ্বংস হোৱা স্থান, শিক্ষা ব্যৱস্থা পুনৰ গঢ়ি তোলা, ভূটান-ভাৰত চৰকাৰে আলোচনা কৰি কুৰিশ্বু বান্ধৰ পানী এৰা সন্দৰ্ভত ব্যৱস্থা ল'বৰ বাবে অধ্যয়ন চলোৱা অঞ্চলৰ গাঁওবাসীয়ে দাবী কৰে। এওঁলোকৰ মতে শেহতীয়াকৈ আই নদীৰ পানীৰ ধাৰ অধিক হৈছে আৰু ইয়াৰ মূল কাৰণ হ'ল কুৰিশ্বু বান্ধ।

**অধ্যয়নকাৰী দলৰ সদস্যসকল**

ত্ৰিদীৱ নীলিম দত্ত

ৰেহেনা চুলতানা

গৌৰৱ ৰাজখোৱা

কাশ্যপ চৌধুৰী

আশ্ৰাফুল হুছেইন

তাৰিখ ঃ ২৭ আৰু ২৮ আগষ্ট, ২০১৭

# সাম্ৰাজ্যবাদবিৰোধী সংগ্ৰাম শক্তিশালী কৰাৰ সংকল্পৰে সামৰণি পৰিল ১৯সংখ্যক বিশ্ব ছাত্ৰ-যুৱ মহোৎসৱ

**ৰিতুৰঞ্জন দাস**

বিশ্বৰ সমাজতান্ত্ৰিক আন্দোলনৰ প্ৰথমখন দেশ তথা ফেচিবাদী শক্তিক মষিমুৰ কৰি মানৱ সভ্যতাক ৰক্ষা কৰা ৰাছিয়াৰ সংগ্ৰামী ভূমিত এইবাৰ অনুষ্ঠিত হ'ল ১৯তম বিশ্ব যুৱ ছাত্ৰ মহোৎসৱ। ১৪ অক্টোবৰৰ পৰা ২৩ অক্টোবৰলৈ অনুষ্ঠিত এই সাম্ৰাজ্যবাদবিৰোধী মহোৎসৱত আমেৰিকা-চীনকে ধৰি বিশ্বৰ ১৯২খন দেশৰ বিশ হেজাৰৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। বিশ্বৰ বিভিন্ন দেশত অৰ্থনৈতিক-ৰাজনৈতিক নীতিৰ মাজেৰে কৰা সাম্ৰাজ্যবাদী আগ্ৰাসন আৰু হস্তক্ষেপৰ বিৰুদ্ধে কৰা সাম্ৰাজ্যবাদবিৰোধী আন্দোলনৰ অভিজ্ঞতাৰ বিষয়ে আলোচনা-বিলোচনাৰ অন্তত সাম্ৰাজ্যবাদবিৰোধী আন্দোলনক শক্তিশালী কৰাৰ সংকল্প লোৱা হয়।

উল্লেখযোগ্য যে অসমৰ পৰা ডি ৱাই এফ আইক প্ৰতিনিধিত্ব কৰি ৰিতুৰঞ্জন দাস আৰু এছ এফ আইক প্ৰতিনিধিত্ব কৰি সংগীতা দাসে এই মহোৎসৱত যোগদান কৰে।

১৫ অক্টোবৰ তাৰিখে কাৰ্যসূচী আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমাৰ পুটিনে। কিছুসংখ্যক নিৰ্বাচিত প্ৰতিনিধি আৰু বিশ্ব গণতান্ত্ৰিক যুৱ ফেডাৰেচনৰ নেতৃবৃন্দৰ উপস্থিতিত কাৰ্যসূচীৰ উদ্বোধন কৰা হয়। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল ১৯সংখ্যক বিশ্ব যুৱ ছাত্ৰ মহোৎসৱ অনুষ্ঠিত কৰিবলৈ গৈ তীব্ৰ ৰাজনৈতিক প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়। পুটিন চৰকাৰৰ দুমুখীয়া নীতিৰ বাবে আয়োজক সংগঠনসমূহে নানা সমস্যাৰ মুখামুখি হ'বলগীয়া হৈছে। ডব্লিউ এফ ডি ৱাই (উফদি) হৈছে বিভিন্ন দেশৰ যুৱ সংগঠনসমূহৰ এক উমৈহতীয়া সংস্থা। ই সম্ৰাজ্যবাদ আৰু পুঁজিবাদবিৰোধী সংগঠনসমূহক প্ৰতিনিধিত্ব কৰে। এই ডব্লিউ এফ ডি ৱাইৰ আহ্বানত প্ৰতি চাৰি বছৰৰ মূৰে মূৰে বিশ্ব যুৱ ছাত্ৰ মহোৎসৱ অনুষ্ঠিত হয়। ৰাছিয়াৰ পুটিন চৰকাৰে এইবাৰৰ যুৱ মহোৎসৱ অনুষ্ঠিত কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰে আৰু সেইমতে প্ৰস্তুতি আৰম্ভ কৰে। কিন্তু তাৎপৰ্যপূৰ্ণভাৱে তেওঁলোকে কাৰ্যসূচী অনুষ্ঠিত কৰাতে সীমাবদ্ধ নাথাকি কোন কোন প্ৰতিনিধি হ'ব পাৰিব তাকো ঠিক কৰিবলৈ নামি পৰে। বহু দেশৰ আয়োজক সংগঠনৰ সভাপতি-সম্পাদককো এই মহোৎসৱত যোগদানৰ অযোগ্য ঘোষণা কৰে। ভাৰতৰ ডি ৱাই এফ আই, এছ এফ আই, এ আই ৱাই এফৰ দৰে সংগঠনৰ মূল নেতৃবৃন্দৰ লগতে বহু সদস্যক মহোৎসৱত যোগদানত বাৰণ কৰে। ৰাছিয়াৰ পুটিন চৰকাৰে মূলতঃ কমিউনিষ্ট আদৰ্শৰ সংগঠনসমূহক লক্ষ্য কৰি লোৱাটো স্পষ্ট হৈ পৰে। ৰাছিয়াৰ মূল কমিউনিষ্ট পাৰ্টিৰ যুৱ সংগঠনটোক যোগদানত অনুমতি দিয়া নাছিল। প্ৰকৃততে পুটিন চৰকাৰে নিজকে সাম্ৰাজ্যবাদবিৰোধী বুলি এক ভাবমূৰ্তি দিব খুজিলেও আচল অৰ্থাৎ সাম্ৰ্যাজ্যবাদবিৰোধী কোনো কামেই কৰিব নিবিচাৰে। বিশ্ব যুৱ মহোৎসৱৰ মূল লক্ষ্য হৈছে বিশ্বৰ সাম্ৰাজ্যবাদবিৰোধী বিশেষকৈ কমিউনিষ্ট আন্দোলনসমূহে দেশে দেশে কি ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে আৰু সাম্ৰাজ্যবাদ বা পুঁজিবাদবিৰোধী আন্দোলনক কেনেকৈ শক্তিশালী ৰূপত গঢ় দিব পাৰি তাৰ বিষয়ে আলোচনা কৰা। কিন্তু পুটিন চৰকাৰে এই লক্ষ্য আৰু উদ্দেশ্যক নাইকীয়া কৰি একমাত্ৰ ৰং-ৰহইচৰ উৎসৱত পৰিণত কৰিব বিচাৰিছিল। যাৰ বাবে হয়তো তেওঁলোকে কৰ্তৃত্বশীলভাৱে হস্তক্ষেপ কৰি ভাৰতৰ পৰা আৰ এছ এছ-এবিভিপিৰ প্ৰায় ২০০ সদস্যক বিভিন্ন সংগঠনৰ নামত প্ৰতিনিধি হিচাপে যাবলৈ অনুমতি দিয়ে। মোডী চৰকাৰৰ লগত আলোচনা কৰি এই কাম তেওঁলোকে কৰে।

ইমানবোৰ প্ৰত্যাহ্বানৰ মাজতো বিশ্ব গণতান্ত্ৰিক যুৱ ফেচাৰেচনৰ সদস্য সংগঠনসমূহৰ কঠোৰ স্থিতিৰ বাবে নিজৰ লক্ষ্যত অটল থাকি কাৰ্যসূচী আগবঢ়াই নিয়ে। প্ৰতিদিনেই অনুষ্ঠিত হয় সাম্ৰাজ্যবাদ, পুঁজিবাদবিৰোধী, চেমিনাৰ য'ত বিভিন্ন দেশৰ প্ৰতিনিধিসকলে নিজ নিজ দেশৰ অভিজ্ঞতাসমূহ বৰ্ণনা কৰাৰ লগতে আগন্তুক দিনত এই আলোচনাক শক্তিশালী কৰাৰ দাবী তোলে। বিশ্বৰ তৰুণ প্ৰজন্মৰ দৃঢ় স্থিতি আৰু তীব্ৰ সাম্ৰাজ্যবাদবিৰোধী ঘৃণাই ফুটাই তোলে আগন্তুক দিনৰ আশাৰ ৰেঙণি।

প্ৰত্যেকৰে কথাত ফুটি উঠে সাম্ৰাজ্যবাদ পুঁজিবাদৰ শোষণৰ বাবেই আজি বিশ্বখন প্ৰদূষিত হৈছে, গৰিষ্ঠসংখ্যক লোকে দৰিদ্ৰতা, অশিক্ষা আৰু ৰোগত আক্ৰান্ত হৈছে। দেশে দেশে গণতান্ত্ৰিক অধিকাৰ আৰু মানৱ অধিকাৰ খৰ্ব হৈছে। পেলেষ্টাইন, ইৰাক, আফগানিস্তান তাৰেই উদাহৰণ। পেলেষ্টাইনৰ সংহতি দিৱসত বিশ্বৰ সকলো প্ৰতিনিধিয়ে ধিক্কাৰ দিলে মাৰ্কিন সাম্ৰাজ্যবাদক। পেলেষ্টাইনৰ প্ৰতিনিধিয়ে তুলি ধৰিলে নিজ দেশৰ কৰুণ বাস্তৱতাৰ চিত্ৰ। তাৎপৰ্যপূৰ্ণ কথাটো আছিল এনে চেমিনাৰবোৰত উপস্থিত থাকি মাৰ্কিন যুক্তৰাষ্ট্ৰৰ তৰুণ-তৰুণীসকলে সাম্ৰাজ্যবাদবিৰোধী আলোচনা-বিলোচনা কৰে।

ভাৰতবৰ্ষকে ধৰি এচিয়াৰ পৰিস্থিতিক লৈ উদ্বেগ আৰু উদ্বিগ্ন বিশ্বৰ যুৱ সমাজ। ভাৰতবৰ্ষৰ শেহতীয়া পৰিস্থিতিক লৈ বহুতৰেই প্ৰশ্ন। মোদী চৰকাৰৰ অগণতান্ত্ৰিক, অসহিষ্ণু আৰু স্বেচ্ছাচাৰী কাম-কাজে যে বিশ্ব সম্প্ৰদায়কো উদ্বিগ্ন কৰিছে এয়া তাৰেই লক্ষণ। গোবিন্দ পানচাৰে, ডাভোলকাৰ, কালবুৰ্গি আৰু গৌৰী লংকেশৰ পৰিয়ালৰ প্ৰতি সহমৰ্মিতা প্ৰকাশৰ উদ্দেশ্যে অনুষ্ঠিত হয় এক বিশেষ সভা। এই সভাখনত আশ্চৰ্যজনকভাৱে আৰ এছ এছ এবি ভি পিৰ সদস্যই চিঞঁৰ-বাখৰ কৰি বন্দে মাতৰম শ্লোগান দিবলৈ ধৰে। তেওঁলোকৰ এই আচৰণত সকলো আচৰিত হৈ পৰে। শেষত চেমিনাৰ কো-অৰ্ডিনেটৰে হস্তক্ষেপ কৰি কয় যে বিশ্বৰ বিভিন্ন প্ৰান্তত কেনেদৰে কমিউনিষ্টসকলে প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে সেই কথাবোৰ আলোচনা কৰাৰ বাবেহে এই কাৰ্যসূচী। ইয়াত কাৰোবাৰ আপত্তি থাকিলে তেওঁলোক ওলাই যাব পাৰে। এই কথা শুনাৰ পাছত লাজে-অপমানে আৰ এছ এছৰ সদস্য তিনিজন চুপ হৈ বহি থাকে।

বিশ্ব যুৱ ছাত্ৰ মহোৎসৱত ভিন্ন দেশৰ বিভিন্ন কৃষ্টি-সংস্কৃতি প্ৰদৰ্শিত হোৱাৰ লগতে বিজ্ঞানৰ বিভিন্ন আৱিষ্কাৰ প্ৰদৰ্শনী, খেল-ধেমালি, স্বাস্থ্য, পৰিৱেশ, উদ্যোগীকৰণ, আদি বিষয়ক লৈ বিভিন্ন চেমিনাৰ প্ৰদৰ্শনী অনুষ্ঠিত হয়। সঁচা অৰ্থত এখন বিকল্প পৃথিৱীৰ বাবে তাৰুণ্যৰ এই মহাসমাৱেশে আগন্তুক সাম্ৰাজ্যবাদবিৰোধী সংগ্ৰামক আৰু আগুৱাই নিব। তৰুণ-তৰুণীৰ এই মহাসমাৱেশৰ পৰা এই আশা কৰিব পাৰি।

# উচ্ছেদৰ প্ৰতিবাদ ঃ নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতি

অসম চৰকাৰে আমচাং অভয়াৰণ্যকে ধৰি বিভিন্ন অঞ্চলত উচ্ছেদ অভিযান আৰম্ভ কৰিছে। উচ্ছেদিত অঞ্চলসমূহৰ ৰাইজৰ পুনৰ সংস্থাপনৰ কোনো ব্যৱস্থা নকৰাকৈ উচ্ছেদ কাৰ্য স্বাধীন দেশৰ চৰকাৰৰ বাবে দেশৰ নাগৰিকৰ প্ৰতি অমানৱিকআচৰণ— 'মানৱ অধিকাৰ ভংগ'ৰ দেখদেখ নিদৰ্শন। দেশৰ নাগৰিকৰ বাসস্থানৰ ব্যৱস্থা কৰা চৰকাৰৰ দায়িত্ব। বাসগৃহবোৰ ভাঙি উচ্ছেদ কৰাৰ ফলত উচ্ছেদিত পৰিয়ালসমূহলৈ অন্ধকাৰ নামি আহিছে। জীৱনজোৰা আয়েৰে নিৰ্মাণ কৰা বাসগৃহৰ পৰা উচ্ছেদ হোৱাৰ ফলত হঠাতে আৰ্থ-সামাজিক আজিৰ জটিল পৰিস্থিতিত নিজাকৈ বাসগৃহ নিৰ্মাণ কৰা এইসকল নিম্ন আয়ৰ লোকৰ বাবে অসম্ভৱ। উচ্ছেদৰ সন্মুখীন হোৱা লোকসকলৰ পুনৰসংস্থাপনৰ বাবে চৰকাৰে যথেষ্ট সময় পায়ো বাসস্থানৰ কোনো ব্যৱস্থা নকৰি চৰকাৰী ক্ষমতা প্ৰয়োগেৰে ঘৰ-বাৰী ভাঙি দি তেখেতসকলক অনিশ্চিত ভৱিষ্যতলৈ ঠেলি দিছে। চৰকাৰে চৰকাৰী মাটিত বসবাস কৰা ৰাইজৰ আবেদনক অকণো গুৰুত্ব নিদিলে। বিভিন্ন সংগঠনে চৰকাৰৰ ওচৰত পুনৰ সংস্থাপনৰ ব্যৱস্থা নকৰাকৈ উচ্ছেদ নকৰিবলৈ বিভিন্ন সময়ত আবেদন জনাই আহিছে। আমি নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতিয়েও চৰকাৰৰ মাটিত সুদীৰ্ঘ বছৰ বাস কৰা লোকক মাটিৰ পট্টা দিয়াৰ বাবে দাবী জনাই আহিছো।

আমি চৰকাৰৰ ওচৰত আবেদন জনাও যে আমচাং অভয়াৰণ্যকে ধৰি বাসস্থান গঢ়ি তোলা অঞ্চলত চলি থকা উচ্ছেদ পুনৰ বাসনৰ বিকল্প ব্যৱস্থা নকৰা পৰ্যন্ত বন্ধ ৰাখক।

২৭ নৱেম্বৰ, ২০১৭

১ পৃষ্ঠাৰ পৰা...

# চৰকাৰৰ প্ৰতিনিধিৰ এলান্ধুকলীয়া ধাৰণা

ভাৰতৰ সমাজ ব্যৱস্থা তথা ৰাজনীতিৰ লগত ইয়াৰ কিবা সম্বন্ধ আছেনে? এনে প্ৰশ্ন সাধাৰণতে মনত জাগে। কৰ্মফল আৰু জন্মান্তৰবাদ হ'ল মূলতঃ দলিত, দুৰ্গত মানুহৰ শান্তিয়নী জল। প্ৰাচীন কালত ভাৰতীয় সমাজত শ্ৰেণী বিভাজন নাছিল, থাকিলেও সি কঠোৰ নাছিল। পৰৱৰ্তী কালত ৰাষ্ট্ৰৰ উদ্ভৱ হ'ল। উদ্ভৱ হ'ল কৃষক, বনুৱা, জমিদাৰ, সামন্ত আদি ভিন ভিন সামাজিক শ্ৰেণীৰ। এওঁলোকৰ এটা শ্ৰেণীয়ে তাৰ তলৰ শ্ৰেণীটোৰ ওপৰত আৰম্ভ কৰিলে শোষণ-উৎপীড়ন কেতিয়াবা শাৰীৰিকভাৱে, কেতিয়াবা আকৌ বিভিন্ন কৰ-কাটলৰ বোজা জাপি দি। উচ্চবৰ্গৰ লোকসকলে জাপি দিয়া প্ৰত্যক্ষ বা পৰোক্ষ শোষণ-নিৰ্যাতনৰ হেঁচাত যেতিয়া সাধাৰণ মানুহ জৰ্জৰিত হৈ পৰিল, তেতিয়া ইয়াৰ পৰা মুক্তি পোৱাৰ পথ তেওঁলোকে বিচাৰিবলৈ ধৰিলে। কিন্তু মুক্তিৰ পথ তেওঁলোকে বিচাৰি পোৱা নাছিল। এনে পৰিস্থিতিত মনু, কৌটিল্য প্ৰমুখ্যে ৰজাঘৰীয়া বুদ্ধিজীৱীসকলে জনসাধাৰণৰ মানসিক নিৰাময়ৰ ঔষধ যোগাইছিল এনেদৰে— তোমালোকৰ যে পানীত হাঁহ নচৰা অৱস্থা তাৰ বাবে জগৰীয়া কোনো ব্যক্তি বা প্ৰতিষ্ঠান নহয়, ই তোমালেকৰ পূৰ্বজন্মৰ পাপ কৰ্মৰ ফল। এনে পৰিস্থিতিক তোমালোকে মানি ল'ব লাগিব। এই জন্মত তোমালোকে যদি জীৱনৰ সকলো কষ্ট নিৰ্বিবাদে মানি লৈ ৰজাঘৰৰ সন্তুষ্টিৰ বাবে কাম কৰি যোৱা, তেন্তে অহা জন্মত তোমালোকৰ শান্তি আৰু সম্পদ নিশ্চিত। পূৰ্বেই কৈছো, কৰ্মফলৰ এই ধাৰণা আছিল সৰ্বসাধাৰণৰ বাবে শান্তিয়নী জল। নিষ্পেষকসকলৰ বাবেও ইয়াৰ কিছু প্ৰয়োজন আছিল। নিষ্পেষণজনিত তেওঁলোকৰ যি অপৰাধবোধ, তাৰ পৰা এই ধাৰণাই তেওঁলোকক কিছু হ'লেও মুক্তি দিছিল। জাতিভেদ নামৰ কুখ্যাত প্ৰথাটোকো এই ধাৰণাই পৰোক্ষভাৱে হ'লেও সমৰ্থন কৰিছিল। তোমালোক চণ্ডাল, তোমালোক শূদ্ৰ, তোমালোক নিঃকুলৰ লোক, ইয়াৰ পৰা উদ্ধাৰ পোৱাৰ তোমালোকৰ কোনো উপায় নাই। কাৰণ ই তোমালোকে পূৰ্বজন্মত অৰ্জন কৰা পাপ কৰ্মৰ ফল। ইয়াৰ বিৰুদ্ধে তোমালোকে প্ৰতিবাদন নকৰিবা। যদি কৰা, তেন্তে অহা জনমত তোমালোকৰ স্থান হ'ব ইয়াতকৈয়ো তলৰ পশু যোনিত। আনহাতে তোমালোকৰ বৰ্তমানৰ যি অৱস্থান, তাক যদি হাঁহিমুখে সহ্য কৰি যোৱা, তেন্তে তোমালোকে জন্ম লভিবা ইয়াতকৈ উচ্চ কুলত।

গতিকে দেখা গ'ল কৰ্মফল আৰু জন্মান্তৰবাদৰ যি এলান্ধুকলীয়া ধাৰণা বহু যুগ ধৰি আমাৰ দেশখনত চলি আহিছে, সি হ'ল সৰ্বসাধাৰণৰ দুখ-যন্ত্ৰণাক প্ৰশমিত কৰাৰ এক ঔষধ। সেয়ে মনুবাদী চৰকাৰৰ প্ৰতিনিধি আমাৰ স্বাস্থ্য মন্ত্ৰীয়ে এনে এবিধ ঔষধ 'আৱিষ্কাৰ' কৰাটোত বিস্ময়কৰ একো নাই। পূৰ্বতে পৰম্পৰাৰ নামত চলা এই ধাৰণাবোৰ জাৰকালিৰ কুণ্ডলীকৃত সাপৰ দৰে সুপ্ত হৈ আছিল। এতিয়া নতুন চৰকাৰৰ দিনত এইবোৰে ফেট তুলি উঠিছে। এটা সময় নিশ্চয় আহিব, যেতিয়া এনে ফাটমেলা কাৰ্যত যৌথভাৱে প্ৰতিবাদ কৰিব, যুক্তি আৰু বিজ্ঞানৰ আলোকেৰে আমাৰ সমাজখন কৰি তুলিব আলোকদ্দীপ্ত।

# উচ্ছেদৰ বিৰুদ্ধে পাঞ্জাবাৰীত চিপিআই (এম)ৰ প্ৰতিবাদী কাৰ্যসূচী

দায়িত্ব পালন কৰা নাই। এতিয়া ৰাইজে নিজৰ সীমিত প্ৰচেষ্টাৰে যি বাসস্থানৰ ব্যৱস্থা কৰিছে তাক ধূলিস্যাৎ কৰিছে। ভট্টাচাৰ্য্যই ঘোষণা কৰে যে বিকল্প বাসস্থানৰ ব্যৱস্থা নকৰাকৈ সকলো উচ্ছেদ অভিযান চি পি আই (এম) এ তীব্ৰ বিৰোধিতা কৰিব আৰু উচ্ছেদৰ বিৰুদ্ধে আন্দোলন গঢ়ি তুলিব। ধৰ্না কাৰ্যসূচীত দলৰ ৰাজ্যিক সম্পাদকমণ্ডলীৰ সদস্য সুপ্ৰকাশ তালুকদাৰ, টিকেন দাস, তপন শৰ্মা আৰু জিলা সম্পাদক শতঞ্জীৱ দাসেও বক্তব্য দাঙি ধৰে।

# ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)ৰ গোলাঘাট জিলা সন্মিলন

যোৱা ১১ আৰু ১২ নৱেম্বৰত চি পি আই (এম)ৰ গোলাঘাট জিলা সন্মিলন গোলাঘাট নগৰত অনুষ্ঠিত হৈ যায়। সন্মিলন উপলক্ষে ১১ নৱেম্বৰৰ দিনা দুপৰীয়া ১২ বজাত গোলাঘাট নগৰৰ মাজেৰে শোভাযাত্ৰা কৰা হয়। সন্মিলনৰ বেনাৰ আৰু ৰক্ত পতাকাৰে সজাই ৰখা নগৰখনৰ মাজেৰে ৰক্তপতাকা আৰু বিভিন্ন দাবী সম্বলিত বেনাৰেৰে সুসজ্জিত শোভাযাত্ৰাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। ১ ঘণ্টা ধৰি কৰা শোভাযাত্ৰাৰ অন্তত বিয়লি ১ বজাত নগৰখনৰ মাজমজিয়াত থকা প্ৰগতি চৰা প্ৰাংগণত গোবিন্দ সিনহাৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। ৬শতাধিক লোক উপস্থিত থকা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা সম্পাদক যুগল নাথে আৰু আদৰণী ভাষণ দিয়ে অভ্যৰ্থনা সমিতিৰ সম্পাদক প্ৰকাশ হাজৰিকাই। মুকলি সভাখনত মুক্য বক্তা হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়ায় ৰাজ্যিক সম্পাদকমণ্ডলীৰ সদস্য সুপ্ৰকাশ তালুকদাৰ আৰু নয়ন ভুঞাই। ভাষণ প্ৰসংগত নয়ন ভুঞাই উল্লেখ কৰে যে দুৰ্নীতি-ভ্ৰষ্টাচাৰ-অপশাসনেৰে দেশখনত অপ-সংস্কৃতিৰ বীজ ৰোপণ কৰা কংগ্ৰেছ (ই) দলক কোনো পৰিস্থিতিতে ৰেহাই দিয়া উচিত নহয়। কংগ্ৰেছ (ই)ৰ পথেৰে অগ্ৰসৰ হোৱা নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰৰ চৰকাৰখনৰ লগতে সৰ্বানন্দ নেতৃত্বাধীন ৰাজ্য চৰকাৰখনৰো কৃষক-শ্ৰমিক-ছাত্ৰ-যুৱবিৰোধী নীতিবোৰক সমালোচনা কৰি নয়ন ভুঞাই কয় ঃ বিজেপি দল আৰু চৰকাৰৰ প্ৰতাৰণাৰ সোৱাদ ৰাইজে ইতিমধ্যে পাইছে। নিৰ্বাচনৰ আগত নৰেন্দ্ৰ মোদী আৰু সৰ্বানন্দ সোণোৱালে সৰ্বস্তৰৰ জনতাক যি সপোন দেখুৱাইছিল সেই সপোন এতিয়া ভাগি থান-বান হৈ গৈছে। দেশখনত কৰ্মসংস্থান দ্ৰুতহাৰত কমিছে আৰু বিভিন্ন প্ৰতিষ্ঠানত কৰ্মৰত শ্ৰমিক-কৰ্মচাৰী অস্বাভাৱিক হাৰত কামৰ পৰা ছাটাই হৈছে। গ্ৰাম্য উন্নয়ন স্তব্ধ হৈছে আৰু কৃষকৰ আত্মহত্যাৰ সংখ্যা বৃদ্ধি পাইছে। বৃহৎ পুঁজিপতিৰ ব্যৱসায়ীৰ স্বাৰ্থত কাম কৰা বিজেপি নেতৃত্বাধীন চৰকাৰে মধ্যাহ্ন ভোজন, অংগনবাড়ী কৰ্মী-




সহায়িকাৰ দৰে আঁচনিভুক্ত কৰ্মচাৰীসকলৰ স্বাৰ্থক জলাঞ্জলি দিছে। নিৰ্মাণ শ্ৰমিকৰ কল্যাণ সাধনৰ ক্ষেত্ৰতো চৰকাৰৰ উদাসীনতা প্ৰকট হৈছে। সকলো ক্ষেত্ৰতে ব্যৰ্থ হোৱা বিজেপি চৰকাৰে সাম্প্ৰদায়িক ৰাজনীতিৰে ক্ষমতা ধৰি ৰখাৰ কৌশল অৱলম্বন কৰা বুলি উল্লেখ কৰি ইয়াৰ বিৰুদ্ধে সবল গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিবলৈ নয়ন ভুডাই আহ্বান জনায়।

সুপ্ৰকাশ তালুকদাৰে নিজৰ ভাষণ প্ৰসংগত কয় ঃ যোৱা সাধাৰণ নিৰ্বাচনৰ আগত বিজেপিক দেশৰ ক্ষমতালৈ অনাৰ বাবে নৰেন্দ্ৰ মোদীয়ে যিবোৰ প্ৰতিশ্ৰুতি দেশৰ জনতাক দিছিল, নিৰ্বাচনত জিকি দেশৰ ক্ষমতা দখল কৰাৰ পাছত কোনোটো প্ৰতিশ্ৰুতিয়েই পূৰণ নকৰিলে। ৰিজাৰ্ভ বেংককো অন্ধকাৰত ৰাখি নৰেন্দ্ৰ মোদীয়ে এককভাৱে কৰা বিমুদ্ৰাকৰণৰ ফলত দেশৰ বিভিন্ন ক্ষুদ্ৰ ব্যৱসায় প্ৰতিষ্ঠান বন্ধ হৈ গ'ল আৰু ১ কোটি ৬০ লাখ শ্ৰমিক কৰ্মচাৰীৰ চাকৰি গ'ল। বিমুদ্ৰাকৰণৰ সময়ত সাধাৰণ ৰাইজে সীমাহীন যন্ত্ৰণা ভুগিব লগা হ'ল। কিন্তু কোনো বৃহৎ পুঁজিপতি ব্যৱসায়ীৰ হ'লে একো ক্ষতি নহ'ল। ক'লা ধন উদ্ধাৰ নহ'ল বা ক'লা ধনৰ মালিকসকলৰ অপৰ্যাপ্ত সম্পত্তি বোৰো বাজেয়াপ্ত নহ'ন্দ্ৰ। পৰৱৰ্তী সময়ত জি এছ টি প্ৰয়োগৰ ফলতো অনুৰূপ ঘটনাই সংঘটিত হ'ল, জি এছ টিৰ ফলত বহুতৰ চাকৰি গৈছে আৰু সৰু সৰু ব্যৱসায় প্ৰতিষ্ঠান সংকটত পৰিছে। জি এছ টিৰ প্ৰভাৱ আগত গুজৰাট নিৰ্বাচনত পৰাৰ আশংকা কৰি নৰেন্দ্ৰ মোদীয়ে জি এছ টিৰ হাৰ কমাবলৈ বাধ্য হৈছে। অসমৰ প্ৰেক্ষাপটত তালুকাদৰে কয় যে বাংলাদেশীক বহিষ্কৰণৰ বিপৰীতে অমুছলমান বিদেশীক সংস্থাপন কৰাৰ বাবেহে বিজেপিয়ে ব্যৱস্থা কৰিছে। কংগ্ৰেছ মুছলমান সম্প্ৰদায়ক নিজৰ ভোটবেংক হিচাপে ব্যৱহাৰ কৰাৰ দৰে বিজেপিয়েও হিন্দু বাঙালী সকলক লৈ ভোট বেংক সৃষ্টি কৰিবলৈ উঠি-পৰি লাগিছে। এন আৰ চিৰ ক্ষেত্ৰতো বিজেপিয়ে ষড়যন্ত্ৰমূলক ৰাজনীতিৰে এন আৰ চিৰ খচৰা তালিকা প্ৰকাশত বাধা প্ৰদান কৰিছে। বৰ্তমানৰ অসম চৰকাৰখন হিমন্ত বিশ্ব শৰ্মাৰ নে সৰ্বানন্দৰ নেতৃত্বত চলি আছে বুলি প্ৰশ্ন উত্থাপন কৰি তালুকদাৰে কয় যে যিটো দল আৰু চৰকাৰত হিমন্ত বিশ্বৰ দৰে ব্যক্তি সৰ্বেসৰ্বা হৈ থাকে— সেই দল আৰু চৰকাৰ দুৰ্নীতিমুক্ত কেনেকৈ হ'ব পাৰে? মহিলা সবলীকৰণৰ কথা কোৱা অসমৰ চৰকাৰখনে মধ্যাহ্ন ভোজন, ৰন্ধন কৰ্মীসকলৰ ১ হেজাৰ টকীয়া কামটোকো নিঃশেষ কৰিবলৈ বিচাৰিছে। অংগনৱাড়ী কৰ্মী-সহায়িকাৰ ন্যায্য দাবীবোৰকো চৰকাৰখনে আওকাণ কৰিছে। কংগ্ৰেছে যিদৰে চাহ শ্ৰমিকসকলক প্ৰতাৰণা কৰি আছিল— বিজেপি চৰকাৰখনেও তেনেদৰেই প্ৰতাৰণা কৰি আছে। জাতি-মাটিৰ কথা কোৱা অসমৰ চৰকাৰখনে অসম আৰুঅসমীয়া বিৰোধী স্থিতিহে গ্ৰহণ কৰিছে। অসমৰ পৰিচয় তৈল ক্ষেত্ৰবোৰক কেন্দ্ৰৰ নিৰ্দেশত বহুজাতিক কোম্পানীক বিক্ৰী কৰিবলৈ বিনাপ্ৰতিবাদে সৰ্বানন্দ চৰকাৰে এৰি দিলে। বান সমস্যা, চুবুৰীয়া ৰাজ্যৰ লগত থকা সীমা বিবাদ আদিৰ কোনো গ্ৰহণযোগ্য সমাধানসূত্ৰ ৰাজ্য চৰকাৰখনে উলিয়াব পৰা নাই। সকলো ক্ষেত্ৰতে ব্যৰ্থ অসমৰ বিজেপি নেতৃত্বাধীন চৰকাৰখন এতিয়া প্ৰবল জনৰোষৰ সন্মুখীন হৈছে। এনে প্ৰেক্ষাপটত চি পি আই (এম)-এ আপোচহীন সংগ্ৰামেৰে জনগণক বিকল্প পথৰ সন্ধান দিছে। এই সংগ্ৰামখনত সকলো অংশৰ ৰাইজৰ সহায়-সহযোগিতা আগবঢ়াবলৈ তালুকদাৰে আহ্বান জনায়। মুকলি সভাত অসম-নাগালেণ্ড সীমা সমস্যাৰ স্থায়ী আৰু ন্যায়সংগত সমাধান, ১৯৭১ চনৰ ২৪ মাৰ্চক ভিত্তিবৰ্ষ কৰি প্ৰতিজন ভাৰতীয়ৰ নাম সন্নিবিষ্ট কৰি অসমৰ এন আৰ চি প্ৰস্তুত কৰি ৩১ ডিচেম্বৰৰ ভিতৰত খচৰা তালিকা প্ৰকাশৰ দাবীত প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

মুকলি সভাৰ পাছত বিয়লি ৪-৩০ বজাত পাৰ্টিৰ পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণ কাৰ্যসূচীৰে শকুন্তলা বিবাহ ভৱনত প্ৰতিনিধি সন্মিলনৰ কাৰ্যসূচী আৰম্ভ হয়। মুঠ ৬৪ জন নিৰ্বাচিত প্ৰতিনিধিৰ ভিতৰত ৫২ জন প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা প্ৰতিনিধি সন্মিলনখন পৰিচালনা কৰে সুৰেন গগৈ, গোবিন্দ সিনহা আৰু ইৰা বৰাৰ দ্বাৰা গঠিত সভাপতিমণ্ডলীয়ে। সুপ্ৰকাশ তালুকদাৰে উদ্বোধন কৰা সন্মিলনখনত জিলা কমিটিৰ খচৰা প্ৰতিবেদন উত্থাপন কৰে জিলা সম্পাদক যুগল নাথে। ১২ নৱেম্বৰৰ দিনা পুৱা ৯ বজাৰ পৰা আৰম্ভ হোৱা কাৰ্যসূচীত মুঠ ১৯জন প্ৰতিনিধিয়ে দেৰঘণ্টা ধৰি প্ৰতিবেদনৰ ওপৰত আলোচনা কৰি সৰ্বসন্মতিক্ৰমে প্ৰতিবেদনখন গ্ৰহণ কৰে। সন্মিলনত যুগল নাথক সম্পাদক হিচাপে লৈ ১১জনীয়া নতুন জিলা কমিটি গঠন কৰে। সন্মিলনৰ সামৰণী ভাষণ দিয়ে নয়ন ভুঞাই। সভাপতিমণ্ডলীৰ হৈ বক্তব্য দাঙি ধৰে গোবিন্দ সিনহাই। উল্লেখ্য যে সন্মিলনখনক কেন্দ্ৰ কৰি জিলাখনত পাৰ্টি আৰু গনসংগঠনসমূহৰ মাজত উৎসাহ-উদ্দীপনা বৃদ্ধি পাইছে আৰু ৰাইজৰো আশাপ্ৰদ সঁহাৰি পাৰ্টিয়ে লাভ কৰিছে।

**প্ৰতিবেদক ঃ প্ৰকাশ হাজৰিকা**

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

# সমবায়

আমাৰ দেশত এই বছৰ ৬৪সংখ্যক নিখিল ভাৰত সমবায় সপ্তাহ পালন কৰা হৈছে (১৪ নৱেম্বৰৰ পৰা ২০ নৱেম্বৰলৈ) সমবায়ৰ কাৰ্যকাৰিতাৰ বিষয়ে চহৰ অঞ্চলৰ বাদে গাঁওৰ ৰাইজ চিৰপৰিচিত হৈ আছে। তথাপি দেশৰ বৰ্তমান ৰাজনীতি, অৰ্থনীতি তথা পৰিৱেশৰ লগত খাপ খুৱাই যাতে সমবায় আন্দোলনক টিকাই ৰাখিব পাৰি সেই উদ্দেশ্য আগত লৈ প্ৰতি বছৰে একোটা নিৰ্দিষ্ট বিষয়ৰ ওপৰত আলোকপাত কৰি জনগণক সমবায়ৰ প্ৰতি থকা মোহ অক্ষুণ্ণ ৰখাৰ চেষ্টা কৰা হৈছে। কিন্তু চৰকাৰী অৱহেলা তথা ভোগবাদী কাম-কাজবোৰে সমবায়ক ধ্বংস কৰি গৰিব জনগণৰ বাবে নিৰ্ধাৰিত সস্তা দৰৰ চাউল, চেনি, আটা আদি দ্ৰব্য পোৱাৰ পৰা বঞ্চিত কৰিছে। আনপিনে নোট বাতিল, জি এছ টি প্ৰয়োগ তথা পুঁজিবাদী অৰ্থনীতিৰ গ্ৰাসত পৰিছে সমবায় সমিতিবোৰ। আন নালাগে এক সূত্ৰৰ পৰা জনা গৈছে যে আমাৰ ৰাজ্যখনৰ ৯৯ শতাংশ সমবায় (গাঁও পঞ্চায়ত পৰ্যায়ৰ আৰু সুলভ মূল্যৰ দোকানসমূহৰ অৱস্থা পয়ালগা হৈছে। দুই-চাৰিখন কৃষিভিত্তিক সমবায় স্থাপন হৈছে যদিও সমবায় বুলিলে চাউল চেনি, আটা, কেৰাচিন ব্যৱসায়তে থমকি ৰৈছে। ত্যাগী লোকৰ অভাৱ তথা সামাজিক সাংগঠনিক দুৰ্বলতাই ইয়াৰ মূল কাৰণ। দুজন বিশিষ্ট সমাজবিজ্ঞানী ভোলানাথ দত্ত আৰু অপূৰ্ব কান্তি বিশ্বাসৰ দুটি নিবন্ধৰ (দৈনিক বাংলা গণশক্তি)ৰ মাজেদি সমবায়ৰ সমাজ, তাৰ মাজেদি ৰাইজক একত্ৰীকৰণ আৰু এখন সমঅধিকাৰৰ সমাজ গঢ়াৰ মূল্যবান তথ্য দাঙি ধৰিছে। সেইখিনিকে যোগ দি সামৰণি মাৰিম।

ভোলানাথ দত্ত (১৪ নৱেম্বৰ, দৈনিক গণশক্তি)

আমেৰিকাৰ ক্ৰেতা সমবায় Woodman's Market আৰু Credit unionয়ে নিৰৱচ্ছিন্নভাৱে কাম কৰি আছে। Woodman's দিনে ২৪ ঘণ্টাই খোলা থাকে আৰু বিশ্বশ্ৰেষ্ঠ ৱৰ্ল্ড মাৰ্কেটৰ লগত ফেৰ মাৰিবলৈ সক্ষম হৈছে। ক্ৰেডিট ইউনিয়নে ৰাষ্ট্ৰৰ অৰ্থনৈতিকভাৱে সক্ৰিয় জনসংখ্যাৰ ৪০.৭ শতাংশ লোকক সদস্যভুক্ত কৰিছে।

**অপূৰ্ব কান্তি বিশ্বাস** (১৮ নৱেম্বৰ, দৈনিক গণশক্তি)

আন্তৰ্জাতিক সমবায় মহাসংঘ (International Co-Operative Association)ৰ দ্বাৰা প্ৰকাশিত তথ্য অনুযায়ী সমবায়ৰ বাৰ্ষিক সম্পদৰ পৰিমাণ দুই ট্ৰিলিয়ন ডলাৰ। তাৰোপৰি তেওঁলোকে সমবায় ব্যৱস্থাপনাৰ সুফল সাধাৰণ জনগণৰ মাজলৈ লৈ যোৱাৰ বাবে মিচন ২০২০ নামেৰে এক দলিল তৈয়াৰ কৰি উলিয়াইছে। সৰ্বহাৰাৰ মহান নায়ক লেনিনে কৈছে, 'সমবায়ৰ ওপৰত নিৰ্ভৰ নকৰিলে সমাজতন্ত্ৰৰ সুফল অৰ্জন কৰিবলৈ সক্ষম নহ'ব। এটাই কথা, আমি সকলো শ্ৰমকাৰী লোকক একত্ৰিত কৰি সমবায়ক আগবঢ়াই নিয়া আৰু তেওঁলোকক লাভৱান কৰা উচিত।

**ভুৱনেশ্বৰ লহকৰ**

সাপ্তাহিক
গণশক্তি
*লিখক, পঢ়ক, পঢ়ুৱাওক*

গ্ৰাহকৰ বৰঙণি
বছৰেকীয়া - ২৫০ টকা
ছমহীয়া - ১২৫ টকা

**প্ৰয়োজনীয় কপিৰ বাবে যোগাযোগ কৰক**
**মেনেজাৰ, সাপ্তাহিক গণশক্তি**
৪৫ পি ডি চলিহা পথ, হেদায়েৎপুৰ, গুৱাহাটী-৭৮১ ০০৩

১ পৃষ্ঠাৰ পৰা...

# উচ্ছেদ অভিযান ঃ বিকল্প নীতিৰ উদাহৰণ

পৰিস্থিতিত ২৬ আগষ্টত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে উচ্ছেদ অভিযান স্থগিত ৰাখে।

উচ্ছেদ অভিযান স্থগিত ৰাখিলে যদিও বিকল্প চিন্তা-ভাবনা, বিকল্প পৰিকল্পনা একোৱেই নকৰিলে। সম্পূৰ্ণ তিনিমাহ বহি থাকিল। অথচ এই তিনিমাহৰ ভিতৰত উক্ত অঞ্চলটোত বহু বছৰ ধৰি বসবাস কৰি থকা লোকসকলৰ পুনৰ সংস্থাপনৰ এটা বিতং পৰিকল্পনা প্ৰস্তুত কৰা আৰু তাক কাৰ্যকৰী কৰাৰ বাবে সময়সূচী নিৰ্ধাৰণ কৰাৰ সম্পূৰ্ণ সুযোগ আছিল। এই পৰিকল্পনা কাৰ্যকৰীকৰণৰ বাবে প্ৰয়োজনীয় সময় বিচাৰি ন্যায়ালয়ৰ ওচৰত আৱেদন কৰিব পাৰিলেহেঁতেন। কিন্তু সেইবোৰ একো নকৰি প্ৰথম উচ্ছেদ অভিযানৰ তিনিমাহ পাছত পুনৰ উচ্ছেদ অভিযান চলালে। এইবাৰ প্ৰস্তুতি আছিল অভূতপূৰ্ব। সহস্ৰাধিক পুলিচ, চি আৰ পিয়ে যুদ্ধসদৃশ পৰিৱেশত দুদিন ধৰি ভয়াৱহ উচ্ছেদ অভিযান চলালে। গৰিব বসবাসকাৰীসকলে নিজৰ শেষ আশ্ৰয়খিনি ৰক্ষা কৰাৰ বাবে বীৰোচিত সাহস প্ৰদৰ্শন কৰি প্ৰতিৰোধৰ চেষ্টা চলাইছিল যদিও অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত বিপুল নিৰাপত্তাৰক্ষীৰ ওচৰত অসহায় হৈ পৰিল। কিন্তু ৰাজ্যজুৰি প্ৰতিক্ৰিয়াও হৈছে ব্যাপক। ধেমাজি, লখিমপুৰ, মাজুলীৰ বানপানী-গৰাখহনীয়াত আশ্ৰয়হীন হৈ পৰা, অসমৰ এটা আদিমতম জনগোষ্ঠী মিচিংসকলৰ গাঁও উচ্ছেদ; জনশিমলু হাইস্কুল ভাঙি-চিঙি পেলোৱা; নামঘৰ, মছজিদ উচ্ছেদ আদি প্ৰত্যক্ষ কৰি যিকোনো সংবেদনশীল নাগৰিকেই ক্ষুব্ধ হোৱাটো স্বাভাৱিক। স্নাতক শ্ৰেণীৰ চিমেষ্টাৰ পৰীক্ষা চলি থাকোঁতেই আৰু স্কুলবোৰৰ বছৰেকীয়া পৰীক্ষা নিচেই চমু চপাৰ সময়তে চলোৱা উচ্ছেদ অভিযানে উদঙাই দিছে— চৰকাৰখন কিমান কাণ্ডজ্ঞানহীন আৰু জনবিৰোধী। সৰ্বানন্দ সোণোৱাল চৰকাৰ নেতৃত্বাধীন চৰকাৰ অহাৰ পাছত উচ্ছেদ অভিযান আৰম্ভ কৰিছিল কাজিৰঙা, ফুহুৰাতলী আদিত 'সন্দেহযুক্ত বাংলাদেশী'ক উচ্ছেদৰ মাজেৰে। এনে অভিযানত বহুতেই আহ্লাদিত হৈছিল চৰকাৰখনৰ কৰ্মকণ্ডৰ 'দেশপ্ৰেমিক' অভিমুখ দেখি। কিন্তু এতিয়ালৈকে উচ্ছেদিত এজনো বিদেশী বুলি গ্ৰেপ্তাৰ হোৱা নাই বা প্ৰমাণিত হোৱা নাই। পৰৱৰ্তী সময়ত এই উচ্ছেদ অভিযান সকলো জনগোষ্ঠীৰ বিৰুদ্ধেই কিদৰে পৰিচালিত কৰা হৈছে সেয়া সকলোৱে প্ৰত্যক্ষ কৰিছে।

আমচাং অভয়াৰণ্যত উচ্ছেদ অভিযান চলোৱাৰ বাবে চৰকাৰে দেখুওৱা অতি সক্ৰিয়তাই এই অভিযানৰ উদ্দেশ্য সম্পৰ্কে নানা ধৰণৰ সন্দেহৰ উদ্ৰেক কৰিছে। 'আমাৰ অসম' কাকতৰ ২৮ নৱেম্বৰ আৰু ২৯ নৱেম্বৰ, ২০১৭ সংখ্যা দুটাত তথ্যসহ কেইটামান গুৰুত্বপূৰ্ণ দিশ উন্মোচন কৰিছে। সেই অনুসৰি সোণাপুৰত স্থাপন কৰা এ জি চিমেণ্ট আৰু ৰক্ষা চিমেণ্টৰ কোম্পানীৰ স্বাৰ্থ ৰক্ষা কৰাৰ বাবেই পূৰ্বে ৰাজহগাঁও হিচাপে চিহ্নিত গাঁৱকো এতিয়া বনাঞ্চলৰ অন্তৰ্গত অঞ্চল হিচাপে দেখুৱাই উচ্ছেদ চলোৱা হৈছে। উদাহৰণস্বৰূপে পাঞ্জাবাৰীৰ দাঁতিকাষৰীয়া নৱজ্যোতি নগৰ, মাধৱ নগৰ (কাংকান নগৰ) আৰু ইউচুফ নগৰ (বতাহঘূলি)কে ধৰি ৩৭খন গাঁৱক আমচাঙৰ অন্তৰ্গত ইক' ছেনজিটিভ গাঁও বুলি এই বছৰৰ ৭ মে'ত কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে চূড়ান্ত গেজেট জাননী প্ৰকাশ কৰে। অথচ এতিয়া ইউচুফ নগৰ, নৱজ্যোতি নগৰ আৰু মাধৱ নগৰত নিৰ্বিচাৰে উচ্ছেদ চলাই শ শ পৰিয়ালক নিঠৰুৱা কৰি পেলোৱা হৈছে। কাৰণ সোণাপুৰত অৱস্থিত চিমেণ্ট ফেক্টৰী দুটাৰ পৰা আমচাং অভয়াৰণ্যৰ দূৰত্ব আধা কিলোমিটাৰো নহয়। ই প্ৰচলিত আইন-কানুনৰ সম্পূৰ্ণ পৰিপন্থী। সেয়েহে চিমেণ্ট ফেক্টৰী দুটাৰ পৰা আমচাং অভয়াৰণ্য দুটাৰ দূৰত্ব অন্ততঃ ১ কিলোমিটাৰ দেখুওৱাৰ বাবেই আমচাং অভয়াৰণ্যৰ আনটো মূৰত থকা উক্ত তিনিখন গাঁও অভয়াৰণ্যৰ অন্তৰ্ভুক্ত বুলি দেখুৱাই উচ্ছেদ অভিযান চলোৱা হৈছে। ইয়াৰ বাবে নতুনকৈ জি আই এছ মেপ প্ৰস্তুত কৰা হৈছে।

আন্তঃৰাষ্ট্ৰীয় বাণিজ্য সম্প্ৰসাৰিত কৰাৰ উদ্দেশ্য দেশত যিকেইটা বছা বছা লজিষ্টিক হাব গঢ়ি তোলা হ'ব তাৰে এটা হ'ব গুৱাহাটীত। কিশোৰ কুমাৰ কলিতা, অংশুমান শৰ্মা আদিয়ে এই বিষয়ে অধ্যয়ন কৰি গুৰুত্বপূৰ্ণ তথ্য আমাৰ দৃষ্টিগোচৰ কৰিছে। সেই অনুসৰি মাল্টি মডেল লজিষ্টিক পাৰ্ক এখন গুৱাহাটীত নিৰ্মাণ কৰা হ'ব পি পি পি মডেলত। অৰ্থাৎ চৰকাৰী পৃষ্ঠপোষকতাত বৃহৎ ব্যৱসায়ীসকলৰ প্ৰচুৰ মুনাফা সৃষ্টিৰ উদ্দেশ্যে পি পি পি মডেলৰ আধাৰত এইবোৰ স্থাপন কৰা হ'ব। এওঁলোকক সকলো ধৰণৰ 'জঞ্জাল'ৰ পৰা মুক্ত মাটি যোগান ধৰাৰ বাবে অসম চৰকাৰ দায়বদ্ধ। গুৱাহাটী তথা গুৱাহাটীৰ আশে-পাশে উচ্ছেদ অভিযানৰ উদ্দেশ্য হ'ল এই পাৰ্কৰ বাবে প্ৰয়োজনীয় মাটি যোগাৰ কৰা।

যি কাৰণতেই নহওক, উচ্ছেদ অভিযান যদি নিতান্তই প্ৰয়োজন আছিল তেনেহ'লে এই অঞ্চলত বসবাস কৰা হাজাৰ হাজাৰ পৰিয়ালৰ বাবে অন্ততঃ বিকল্প বাসগৃহৰ নিৰ্মাণ আদিৰ বাবে উদ্যোগ গ্ৰহণ কৰাটো আছিল চৰকাৰখনৰ নৈতিক আৰু সাংবিধানিক দায়িত্ব। তাকে নকৰি বাছ-বিচাৰ নোহোৱাকৈ কৰা উচ্ছেদে সামাজিক বিশৃংখলা কমাব নে বৃদ্ধি কৰিব? গৰিব পৰিয়ালবোৰ যাব ক'লৈ? ইয়াৰ পৰা খেদি পঠিয়ালে অইন কোনোবা ঠাইত



চৰকাৰী ভূমি দখল কৰাত বাদে অইন বিকল্প আছে জানো?

**ত্ৰিপুৰা চৰকাৰৰ অভিমুখ**

ত্ৰিপুৰাৰ বিশাল অঞ্চল আগুৰি আছে বনাঞ্চলে। ৰাজ্যখনৰ মুঠ মাটিকালিৰ ৫৪.৭৮ শতাংশই হৈছে বনাঞ্চল। এই বনাঞ্চলত বসবাস কৰি আছে কেইবালাখ পৰিয়াল, বিশেষকৈ জনজাতীয় পৰিয়াল। ২০০২ চনত উচ্চতম ন্যায়ালয়ৰ যিটো ৰায়ৰ নাম লৈ ১৯৮০ চনৰ পাছত বনাঞ্চলত বসবাস কৰা পৰিয়ালক উচ্ছেদ কৰাটো বাধ্যতামূলক বুলি প্ৰচাৰ কৰি অসমত গুৱাহাটীকে ধৰি বিভিন্ন অঞ্চলত হাজাৰ হাজাৰ পৰিয়ালক উচ্ছেদ কৰা হৈছিল, সেই ৰায়ৰ আলমতে ত্ৰিপুৰাটো বনাঞ্চলত উচ্ছেদ চলোৱাৰ বাবে ৰাজ্য চৰকাৰক হেঁচা প্ৰয়োগ কৰা হৈছিল। কিন্তু ত্ৰিপুৰাৰ বাঁওমৰ্চা চৰকাৰে পুনৰ সংস্থাপন নকৰাকৈ উচ্ছেদ কৰিবলৈ অস্বীকাৰ কৰিলে আৰু প্ৰয়োজনীয় পুনৰ সংস্থাপন আৰু ক্ষতিপূৰণৰ বাবে পৰ্যাপ্ত ধন কেন্দ্ৰীয় চৰকাৰৰ পৰা দাবী কৰিলে। অৱশেষত কেন্দ্ৰীয় চৰকাৰে তাপ মাৰিলে।

ইয়াৰ পৰৱৰ্তী সময়ত বাঁও দলসমূহৰ হেঁচাত কেন্দ্ৰত তদানীন্তন ক্ষমতাধিষ্ঠিত কংগ্ৰেছ নেতৃত্বাধীন ইউ পি এ চৰকাৰে বন আইন প্ৰণয়ন কৰে। ২০০৬ চনৰ ২ জানুৱাৰীত এই আইনৰ বাবে জাননী জাৰি কৰা হয় যদিও ইয়াৰ কাৰ্যকৰীকৰণ প্ৰক্ৰিয়া আৰম্ভ হয় ২০০৭ চনৰ ৩১ ডিচেম্বৰৰ পৰাহে। আইনখনৰ বিধি, ২০১৭ সম্বন্ধীয় জাননী জাৰি কৰা হয় ২০০৮ চনৰ ১ জনুৱাৰীত। ইয়াৰ পাছত ত্ৰিপুৰাৰ বাওমৰ্চা দ্ৰুততাৰে এই আইন কাৰ্যকৰী কৰিছে। ফলত এই ৰূপায়ণৰ ক্ষেত্ৰত দেশৰ ভিতৰত প্ৰথম স্থান লাভ কৰিছে ত্ৰিপুৰাই। ২০১৭ চনৰ ৩১ মাৰ্চ পৰ্যন্ত ৰাজ্যখনত আইনখন ৰূপায়ণৰ ক্ষেত্ৰত সাফল্য তলত দিয়া ধৰণৰ—

**মাটিৰ অধিকাৰ দাবী কৰা জনজাতীয় পৰিয়াল**— ১,৬৪,৪৬৪টা

**এতিয়া পৰ্যন্ত মাটিৰ অধিকাৰ প্ৰদান কৰা পৰিয়াল**— ১,২৭,১৫৫টা

**মাটিৰ অধিকাৰ দাবী কৰা অজনজাতীয় পৰিয়াল**— ৩৩,৭৭৪টা

**এতিয়া পৰ্যন্ত মাটিৰ অধিকাৰ প্ৰদান কৰা অজনজাতীয় পৰিয়াল**— ২টা

**বিতৰণ কৰা মুঠ মাটিৰ পৰিমাণ**— ১,৭৬,৩২২,৫৬ হেক্টৰ

**মাটিৰ অধিকাৰ লাভ কৰা গোট (Community)**— ৫৫টা

**মাটিৰ পৰিমাণ**— ১,৩৬,৮৯৭ হেক্টৰ

ইয়াৰ বিপৰীতে আমচাঙকে ধৰি অসমৰ বিভিন্ন অঞ্চলত বনাঞ্চল ৰক্ষাৰ নামত কেইবা দশক ধৰি বসবাস কৰি থকা জনজাতীয় পৰিয়ালক নিৰ্মমভাৱে উচ্ছেদ কৰা হৈছে। অথচ অসমতো বন আইন প্ৰয়োগ কৰি লাখ লাখ জনজাতীয় আৰু বেছ কিছুসংখ্যক অজনজাতীয় পৰিয়ালক মাটিৰ অধিকাৰ প্ৰদান কৰিব পৰা গ'লহেঁতেন।

**কেৰালা চৰকাৰৰ বাসস্থান আঁচনি**

২০১৬ চনৰ মে' মাহত অসমত বিজেপি নেতৃত্বাধীন মৰ্চা চৰকাৰ আৰু কেৰালাত চি পি আই (এম) নেতৃত্বাধীন বাঁও-গণতান্ত্ৰিক মৰ্চা (এল ডি এফ) চৰকাৰে একে সময়তে নিৰ্বাচিত হৈ শাসনভাৰ গ্ৰহণ কৰিছে। আমাৰ ৰাজ্যখনৰ বিজেপি চৰকাৰখনে মাটিৰ অধিকাৰ প্ৰদানৰ বাবে আজিকোপতি কোনো ভূমিনীতি গ্ৰহণ কৰিব পৰা নাই। প্ৰচলিত ভূমি আইনসমূহ ব্যৱহাৰ কৰি মাটিৰ অধিকাৰ প্ৰদানৰ বাবেও উদ্যোগ লোৱা নাই। কোনো বাসস্থান সম্পৰ্কীয় পৰিকল্পনাও প্ৰস্তুত কৰিব পৰা নাই, ৰূপায়ণ দূৰৈৰ কথা। কেৱল কেউফালে উচ্ছেদ অভিযানহে চলাইছে।

ইয়াৰ বিপৰীতে শাসনাধিষ্ঠিত হোৱাৰ এবছৰৰ ভিতৰত কেৰালাৰ এল ডি এফ চৰকাৰে প্ৰস্তুত কৰি উলিয়াইছে এখন বৃহৎ বাসস্থান আঁচনি। সেইমতে অহা চাৰি বছৰত ২লাখ গৃহহীন আৰু ভূমিহীন পৰিয়ালৰ বাবে বাসগৃহ নিৰ্মাণৰ বাবে বিস্তৃত পৰিকল্পনা গ্ৰহণ কৰা হৈছে। 'লাইফ' (LIFE) নামৰ এইখন অভিলাষী আঁচনিৰ দ্বাৰা প্ৰায় পাঁচ লাখ লোক উপকৃত হ'ব। যিহেতু কেৰালাত মাটিৰ সংকট আছে সেয়েহে ২ লাখ পৰিয়ালৰ বাবে একোটাকৈ ঘৰ দিয়াৰ সলনি হাউছিং কমপ্লেক্স গঢ়ি তোলাৰ ব্যৱস্থা কৰিছে। সেয়েহে ইমানবোৰ পৰিয়ালৰ বাসগৃহ নিৰ্মাণৰ বাবে প্ৰয়োজন হ'ব মাত্ৰ ১,১৪০ একৰ মাটি। এই হাউছিং কমপ্লেক্সবোৰতে সামাজিক সুৰক্ষা আঁচনিবোৰ ৰূপায়ণ কৰাৰ লগতে প্ৰাপ্তবয়স্কসকলৰ বাবে দক্ষতা বৃদ্ধিৰ প্ৰশিক্ষণৰো ব্যৱস্থা কৰা হ'ব। পৰিয়ালবোৰ যাতে স্থানচ্যুত হ'বলগীয়া নহয়, তাৰ বাবে স্থানীয়ভাৱেই মাটি নিৰ্বাচন কৰাৰ উদ্যোগ লৈছে। প্ৰথম পৰ্যায়ৰ হিতাধিকাৰীসকল ইতিমধ্যে চৰকাৰে নিৰ্বাচিত কৰিছে য'ত অনুসূচিত জাতি আৰু জনজাতি সম্প্ৰদায়ৰ লোকক অগ্ৰাধিকাৰ দিয়া হৈছে। সন্দেহ নাই, দেশৰ ভিতৰতে এই আঁচনি হ'ল সৰ্ববৃহৎ সাৰ্বজনীন বাসস্থান আঁচনি।

অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে চৰকাৰে ঘোষণা কৰিছে যে ২০১২ চনৰ ভিতৰত অসমত সকলোৰে বাবে বাসস্থানৰ ব্যৱস্থা কৰা হ'ব। অথচ যিসকলে নিজৰ কষ্টোপাৰ্জিত ধনেৰে একোটা সৰু সৰু ঘৰ সাজি বসবাস কৰি আছে, তেওঁলোকক পুনৰ সংস্থাপিত নকৰাকৈ নিৰ্মমভাৱে উচ্ছেদ কৰিব ধৰিছে। কিন্তু মনত ৰখা ভাল উচ্ছেদ কৰিলেও অইন এডোখৰ চৰকাৰী মাটি দখলেই তেওঁলোকৰ পৰৱৰ্তী লক্ষ্য নহ'ব জানো! অৰ্থাৎ ভূমিহীন আৰু গৃহহীন পৰিয়াল থকা লৈকে 'বেদখল'ৰ সমস্যাও থাকি যাব।

# গণতন্ত্ৰ ৰক্ষা-উচ্ছেদ বন্ধ কৰাৰ দাবীত চিপিআই (এম) বিক্ষোভ

বিকল্প বাসস্থানৰ ব্যৱস্থা নকৰাকৈ যিধৰণে নিৰ্মমভাৱে উচ্ছেদ অভিযান চলাইছে তাকো কঠোৰভাৱে বক্তাসকলে গৰিহণা দিয়ে। চৰকাৰে কেৱল উচ্ছেদিত অঞ্চলৰ ৰাইজৰ ঘৰবাৰী ভাঙিয়েই ক্ষান্ত থকা নাই, বিদ্যালয়গৃহ, উপাসনাগৃহ ইত্যাদিও ধূলিস্যাৎ কৰিছে। পৰীক্ষা চলি থকাৰ সময়ত এই উচ্ছেদ কাৰ্য চলাৰ ফলত আৰু বিদ্যালয়গৃহ ধ্বংস হোৱাৰ ফলত বহু ছাত্ৰ-ছাত্ৰীৰ শিক্ষাজীৱনৰ ওপৰতেই যৱনিকা নামি আহিছে। সকলো বক্তাই চৰকাৰৰ এনে কাৰ্যক অমানবিক আৰু বৰ্বৰ বুলি আখ্যায়িত কৰে। তেওঁলোকে বিকল্প বাসস্থানৰ ব্যৱস্থা নকৰাকৈ উচ্ছেদ অভিযান বন্ধ কৰিবলৈ আৰু উচ্ছেদিত ৰাইজৰ পুনৰ সংস্থাপন তথা উপযুক্ত ক্ষতিপূৰণৰ দাবী জনায়।

# ‘পদ্মাৱতী’ বিতৰ্ক




**সৌৰভ শইকীয়া**

ভাৰতত চিনেমাকেন্দ্ৰিক বিতৰ্ক এয়ে প্ৰথম নহয়। ভাৰতীয় চিনেমা উদ্যোগৰ আৰম্ভণিৰে পৰা বহু ৰাষ্ট্ৰীয় আৰু আঞ্চলিক চিনেমাক লৈ যথেষ্ট বিতৰ্ক দেখা যায়। নীল আকাশেৰ তলে, গৰম হাৱা, আন্ধি, বেণ্ডিড কুইন, ব্লেক, ফ্ৰাইডে’, ইণ্ডিয়াজ ডটাৰ ইত্যাদি ভালেমান বিতৰ্কিত চিনেমা ভাৰতীয় চেন্সৰ বোৰ্ডৰ দ্বাৰা নিষিদ্ধ হোৱাৰ দৃষ্টান্তও আছে।

শেহতীয়াকৈ সঞ্জয় লীলা ভাঞ্চালী পৰিচালিত চিনেমা ‘পদ্মাৱতী’ এনে এক বিতৰ্কিত চিনেমা। ৰাজপুত কৰ্ণি সেনাৰ নেতৃত্বত এই চিনেমাখনৰ মুক্তিক লৈ দেশজুৰি তীব্ৰ প্ৰতিবাদৰ ঢৌ দেখা গৈছে। ভাৰত ক্ষত্ৰিয় সমাজ নামৰ এটা সংগঠন আৰু বিজেপি নেতা সূৰয পাল আমুৱে আৰু এখোপ ওপৰলৈ গৈ ভাঞ্চালী আৰু পদ্মাৱতীৰ চৰিত্ৰত অভিনীত দীপিকা পাদুকনৰ শিৰৰ দাম ধাৰ্য কৰিছে। বিজেপিৰ আন এগৰাকী নেতা ৰাজ কুমাৰ পুৰোহিতে চিনেমাখন নিষিদ্ধ কৰাৰ দাবী উত্থাপন কৰিছে। প্ৰতিবাদকাৰীসকলৰ মূল কথা হৈছে চিনেমাখন নিষিদ্ধ কৰা। কিয়নো চিনেমাখনত ৰাণী পদ্মাৱতী সম্পৰ্কে বিকৃত তথ্য উপস্থাপন কৰা হৈছে। ইয়াৰ দ্বাৰা জাতিগত বা ধৰ্মীয় অনুভূতি আঘাতপ্ৰাপ্ত হৈছে।

**বিহংগম দৃষ্টিৰে কিছু ইতিহাস ঃ**

দিল্লী চুলতানী আমোলৰ এজন জনপ্ৰিয় আৰু প্ৰভাৱশালী চুলতান আছিল আলাউদ্দীন খিলজি। তেওঁৰ ৰাজত্বকালত ১২৯৬ খ্ৰীষ্টাব্দৰ পৰা ১৩১৬ খ্ৰীষ্টাব্দ। আলাউদ্দিন খিলজিৰ বিভিন্ন ৰাষ্ট্ৰনীতিৰ ভিতৰত ‘ৰাষ্ট্ৰ সম্প্ৰসাৰণ’ নীতি অন্যতম। এই নীতিৰ ভিত্তিতে তেওঁ ইখনৰ পিছত সিখন চুবুৰীয়া ৰাজ্যত আক্ৰমণ চলায় আৰু দিল্লী আমোলাতন্ত্ৰৰ অধীনলৈ আনে। তেওঁ গুজৰাট, ৰাজস্থান আৰু দক্ষিণ ভাৰতত আধিপত্য লাভ কৰিবলৈ সক্ষম হৈছিল। সেই সময়ত ৰাজস্থানত ৰানথমভৰ, চিত্তৰ, জালৰ আদি কেইবাটাও শক্তিশালী দুৰ্গ আছিল। এই দুৰ্গসমূহৰ অধিপতিক ৰাণা বুলি জনা যায়।

পদ্মাৱতী আখ্যান ঃ

চিত্তৰাণা ৰতন সিংহৰ পত্নী পদ্মিনী বা পদ্মাৱতী হেনো অতি সুন্দৰী আছিল। ৰাণাই পদ্মাৱতীক সিংহল দ্বীপৰ পৰা বিবাহ কৰিছিল।

১৩০৩ খ্ৰীষ্টাব্দত আলাউদ্দিন খিলজিয়ে মেৱাৰ তথা চিত্তৰ আক্ৰমণ কৰে। তেওঁ পাঁচ মাহ ধৰি চিত্তৰ অৱৰোধ কৰি ৰাখে। মুখৰোচক জনপ্ৰিয় আখ্যানটো হৈছে— আলাউদ্দিন খিলজিয়ে চিত্তৰৰ সুন্দৰী ৰাণীৰ বিষয়ে শুনিছিল আৰু তেওঁৰ চাবলৈ উদগ্ৰীৱ হৈ পৰিছিল। পাছত আলাউল্লিন ৰাণালৈ এই বুলি প্ৰস্তাৱ আগবঢ়ায় যে যদিহে তেওঁক এবাৰ পদ্মাৱতীৰ মুখখন চাবলৈ দিয়ে তেন্তে তেওঁ চিত্তোৰ অৱৰোধ উঠাই ল’ব। বহু বাদ-বিবাদৰ অন্তত সিদ্ধান্ত হয় যে এখন আৰ্চীৰ মাধ্যমত চুলতান আলাউদ্দিনক পদ্মাৱতীৰ মুখখন দেখুওৱা হ’ব। পদ্মাৱতীৰ মুখখন দেখি চুলতান ইমানেই মুগ্ধ হ’ল যে তেওঁক পাবলৈ বিয়াকুল হৈ পৰে আৰু বিশ্বাসঘাটকতা কৰি ৰাণা ৰতন সিংহক বন্দী কৰে আৰু ৰাণীলৈ প্ৰস্তাৱ আগবঢ়ায় যে যদিহে তেওঁ আলাউদ্দিনৰ লগত বিয়াত বহে তেন্তে ৰাণাক মুকলি কৰি দিয়া হ’ব। এই কথা শুনি পদ্মাৱতীয়ে কয় যে তেওঁ প্ৰস্তাৱ গ্ৰহণ কৰিছে আৰু শীঘ্ৰে ৭০০ অনুচৰীৰ সৈতে চুলতানৰ চাউনিলৈ আহিব। দৰাচলতে পদ্মাৱতীয়ে ৭০০ ৰাজপুত যোদ্ধা দোলাত তুলি চুলতানৰ চাউনিলৈ পঠাই দিয়ে আৰু ৰাণাক মোকোলাই আনিবলৈ সক্ষম হয়। এই কাৰ্যত ক্ৰোধান্বিত হৈ আলাউদ্দিনে সু-সজ্জিত হৈ চিত্তোৰ দুৰ্গত জপিয়াই পৰে। আলাউদ্দিনৰ আক্ৰমণ প্ৰতিহত কৰিব নোৱাৰি পদ্মাৱতীয়ে দুৰ্গৰ আন আন মহিলাসকলৰ লগত জৌহৰ ব্ৰত (সমূহীয়াকৈ আত্মজাহ দিয়া কাৰ্য) পালন কৰে। আলাউদ্দীনে দুৰ্গ ভেদ কৰি কেৱল মৃতদেহৰ ছাইবোৰ দেখি ত্ৰাসত চিৎকাৰ কৰে।

**ইতিহাসে কি কয়?**

এই ৰোমাঞ্চকৰ আখ্যানটো ঐতিহাসিক টডে মেৱাৰৰ ভাটসকলৰ মুখত শুনি লিপিবদ্ধ কৰে। আনহাতে ভাটসকলে এই কাহিনীটো সংগ্ৰহ কৰিছে মালিক মহম্মদ জয়াশীৰ ‘পদ্মাৱত’ নামৰ কাব্য কাহিনীৰ পৰা। জয়াশীৰ এই কাহিনীৰ মূল ভিত্তি হৈছে আমীৰ খস্ৰুৰ ‘খাজাইন-উল-ফুটুহ’। এই গ্ৰন্থত আমীৰ খস্ৰুৱে নিজকে ‘হুঁদ-হুঁদ’ চৰাই বুলি কৈছে যিয়ে ‘চেবা’ৰ পৰা ৰাণী ‘বিলকিছ’ৰ বাতৰি চলমনলৈ কঢ়িয়াই নিয়ে। আমীৰ খস্ৰুৱে চিত্তোৰৰ দুৰ্গক চেবা আৰু আলাউদ্দিনী খিলজিক চলমানৰ লগত তুলনা কৰিছে। ইয়াকে ভিত্তি হিচাপে লৈ জয়শীয়ে তাত ৰং সানি ৰোমাণ্টিক কাহিনী এটা প্ৰস্তুত কৰিছে। অৱশ্যে জয়াশীয়ে কাহিনীৰ শেষত উল্লেখ কৰিছে— ‘এই কাব্যত চিত্তোৰ হৈছে দেহ, ৰাণা হৈছে মস্তিষ্ক, সিংহল দ্বীপ হৃদয়, পদ্মাৱতী জ্ঞান আৰু আলাউদ্দিন হৈছে মায়া। জ্ঞানীসকলে এই কাহিনীৰ মৰ্মকথা বুজিব।’

চিন্তা কৰো আহক

জয়শীয়ে পদ্মাৱত পুথি ৰচনা কৰিছিল চিত্তোৰ আক্ৰমণৰ প্ৰায় ২৩৭ বছৰ পাছত আলাউদদ্দিন খিলজিৰ মৃত্যুৰ প্ৰায় ২২৪ বছৰ পাছত। কোনো সমসাময়িক ৰাজস্থানী বা পাৰ্চিয়ান বুৰঞ্জীবিদে ইমান গুৰুত্বপূৰ্ণ ঘটনা এটাৰ উল্লেখ কিয় নকৰিলে এইটো এটা ডাঙৰ প্ৰশ্ন। আনকি আমীৰ খস্ৰুৰ দৰে প্ৰসিদ্ধ লিখকেও (যিয়ে চিত্তোৰ আক্ৰমণৰ সময়ত আলাউদ্দিন খিলজীৰ লগত গৈছিল) এই ঘটনাৰ কোনো উল্লেখ কৰা নাই। সঁচাকৈ পদ্মাৱতী কাণ্ড ঘটিছিল নে? নে ই এক মুখে মুখে চলি অহা আখ্যানহে আছিল।

জয়াশী যিহেতু এগৰাকী চুফীবাদী আছিল তেওঁ ‘পদ্মাৱত’ কাহিনীৰ দ্বাৰা আচলতে এক প্ৰতিকাত্মক দৰ্শনহে দাঙি ধৰাৰ প্ৰয়াস কৰিছিলে নকি? ঐতিহাসিক ড° কে এল এছ লালে পদ্মাৱত কাহিনীক ৰূপক (Allegory) বুলিহে অভিহিত কৰিছে।

জয়শীয়ে হয়তো তেওঁৰ সমসাময়িক বাহাদুৰ ছাহৰ চিত্তোৰ আক্ৰমণ (১৫৩৪)ৰ সময়ত হোৱা জৌহৰ দেখি প্ৰভাৱিত হৈছিল।

ৰাজপুথসকল অতি সাহসী আৰউ সন্মানৰ প্ৰতি সজাগ আছিল। আনৰ হাতত পৰাজিত হোৱাতকৈ তেওঁলোকে মৰসাহ কৰি আত্মজাহ দিয়াটোৱে সমীচীন বুলি ভাবিছিল (জৌহৰ)। তেনেস্থলত আইনাৰ জৰিয়তে হ’লেও সন্মানীয় ৰাণী এগৰাকীৰ মুখ দেখুৱাবলৈ ৰাণা মান্তি হ’বনে? ইয়ো এক চিন্তনীয় কথা।

পদ্মাৱতীৰ সিংহল দ্বীপৰ মূল সম্পৰ্কে কোনো ঐতিহাসিক প্ৰমাণ পোৱা নাযায়। ই মাত্ৰ মৌখিক প্ৰবাদ।

কোৱা হয় যে আলাউদ্দিনে পদ্মাৱতীক পাবলৈয়ে চিত্তোৰ আক্ৰমণ কৰিছিল। কিন্তু প্ৰথমতে উল্লেখ কৰা হৈছে ৰাষ্ট্ৰ সম্প্ৰসাৰণ নীতি আলাউদ্দিনৰ এক ৰাষ্ট্ৰনীতিহে আছিল। বেছিভাগ আধুনিক ইতিহাসবিদেই চিত্তোৰ আক্ৰমণক এজন উচ্চাকাংখী শাসকৰ সম্প্ৰসাৰণদাবী নীতি বুলিহে কৈছে।

গৌৰী শংকৰ ওজাই তথাকথিত পদ্মিনী প্ৰসাদৰ দোহাই দি পত্মাৱতীক ঐতিহাসিক সত্য বুলি স্বীকাৰ কৰিছে।

প্ৰসিদ্ধ ইতিহাসবিদ হৰবংশ মুখীয়া আৰু ইৰফান হাবিবে কয় যে আলাউদ্দিন খিলজীৰ চিত্তোৰ আক্ৰমণৰ সময়ত কোনো পদ্মাৱতী নামৰ তেজ মঙহৰ মানুহ নাছিল। পদ্মাৱতীৰ জন্ম হৈছে চিত্তোৰৰ পৰা বহু নিলগত আলাউদ্দিন খিলজীৰ মৃত্যুৰ ২২৪ বছৰ পাছত জয়াশীৰ কাব্যৰ পৃষ্ঠাত।

আমাৰ ক’বলগীয়া ঃ

চিনেমা, নাটক অথবা সাহিত্যৰ লগত ইতিহাসৰ এক মৌলিক পাৰ্থক্য আছে। কাৰণ এইবোৰত বাস্তৱতাৰ লগত সৃষ্টিশীলতাও প্ৰয়োগ হয়। সেয়ে এইবোৰ ইতিহাসতকৈ পৃথক। ইতিহাস যি তাক সেই ধৰণেই যদি চিনেমাত উপস্থাপন কৰা হয়, তেন্তে ই এখন ডকুমেণ্টৰীহে হ’ব, চিনেমা নহ’ব। গতিকে পদ্মাৱতী আখ্যানৰ সত্যতা দাবী কৰাসকলেও নিশ্চয় চিন্তা কৰা উচিত পদ্মাৱতী এখন চিনেমাহে ডকুমেণ্টৰী নহয়।

প্ৰতিক্ৰিয়াশীল শক্তি সদায় স্বাধীনতাবিৰোধী যুক্তিবাদবিৰোধী। ই লাগিলে কালবুৰ্গী, দাভোলকাৰেই হওক বা চিনেমা সাহিত্যই হওঁক. প্ৰতিক্ৰিয়াশীল শক্তিয়ে মাথো চেলু বিচাৰি থাকে, সাধাৰণ জনতাক আৱেগিক আৰু উত্তেজিত কৰি স্বাৰ্থ সিদ্ধি কৰিব বিচাৰে। যুক্তিৰে কথাবোৰ ভাবি প্ৰতিক্ৰিয়াশীল শক্তিক দমন কৰাটোহে সময়ৰ আহ্বান।

সহায়ক গ্ৰন্থ ঃ

১। History of Medieval India– V. D. Mahajan, S Chand and Company Ltd. reprint 1991.

২। History of Medieval India– V. D. Mahajan, Orient Black Swan, reprint 2016..

৩। Medieval India, Part-1 - Satish Chandra, Har-Anand Publications Pvt. Ltd. Reprint 2016.

৪। Medieval India : The Study of Civilization- Irfan Habib, National Book Trust, India, Reprint 2013.

৫। কেইখনমান দৈনিক বাতৰি কাকত আৰু গুগল।

## মহিলা মুষ্টিযোদ্ধা অংকুশিতা বড়ো’লৈ নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতিৰ আন্তৰিক অভিনন্দন



যুৱ মহিলা বিশ্ব বক্সিং চেম্পিচনশ্বিপত চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰি আমাৰ ৰাজ্যখনৰ লগতে দেশলৈ স্বৰ্ণপদকেৰে গৌৰৱ কঢ়িয়াই অনা অংকুশিতা বড়োলৈ আমি নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতিৰ ৰাজ্যিক কমিটিয়ে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো লগতে খেলুৱৈগৰাকীৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছো। খেলুৱৈগৰাকীৰ পিতৃ-মাতৃলৈকো ধন্যবাদ জ্ঞাপন কৰিলো।

### চি পি আই (এম) ৰ প্ৰতিবাদ

# ছিপাঝাৰৰ কুৰুৱাত অগ্নিসংযোগ আৰু উচ্ছেদ অভিযান

চিপাঝাৰৰ কুৰুৱা অঞ্চলত যোৱা ২১ নৱেম্বৰৰ পৰা সন্ধানহীন হৈ থকা এজন কৃষকৰ মৃতদেহ ২৩ নৱেম্বৰত ফুহুৰাতলি চৰত উদ্ধাৰ হোৱাৰ পিছত একাংশ লোকে অঞ্চলটোত সাম্প্ৰদায়িক উত্তেজনা আৰু সংঘাত সৃষ্টিৰ পৰিৱেশ ৰচনা কৰাত চি পি আই (এম)ৰ অসম ৰাজ্যিক কমিটিয়ে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। পাৰ্টিৰ ৰাজ্যিক কমিটিয়ে প্ৰকাশ কৰা এটা বিবৃতিত কোৱা হয়, সন্ধানহীন আনন্দ দাস নামৰ কৃষকজনৰ মৃতদেহ উদ্ধাৰৰ পাছতে কুৰুৱা-খলিহৈ অঞ্চলৰ একাংশ লোকে অঞ্চলটোত দীৰ্ঘদিনে বসবাস কৰি থকা ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলক 'সন্দেহযুক্ত বাংলাদেশী' সজাই তেওঁলোকেই কৃষক আনন্দ দাসক হত্যা কৰিছে বুলি প্ৰচাৰ কৰাৰ লগতে বহু ঘৰ-বাৰীত অগ্নিসংযোগ কৰে আৰু আন বহুকেইটা দুখীয়া পৰিয়ালৰ ঘৰ ভাঙি নষ্ট কৰে। আশ্চৰ্যকৰ কথা যে দৰং জিলা প্ৰশাসনৰ বৰমূৰীয়া আৰু আৰক্ষীৰ উচ্চ পদস্থ বিষয়াৰ সন্মুখতে স্থানীয় একাংশ লোকে আইন নিজৰ হাতত তুলি লয়। তদুপৰি ফুহুৰাতলি-কুৰুৱা চৰ অঞ্চলত দীৰ্ঘদিন বসবাস আৰু খেতি-বাতি কৰি জীৱন নিৰ্বাহ কৰা দুখীয়া লোকসকলৰ নাগৰিকত্ব প্ৰমাণ নকৰাকৈ সকলোকে 'সন্দেহযুক্ত বাংলাদেশী' সজাই ততালিকে উচ্ছেদ কৰাৰ দাবী তোলে । জিলা প্ৰশাসনেও একাংশ লোকৰ দাবীৰ ওচৰত সেও মানি আজি কুৰুৱা খলিহৈ চৰত প্ৰায় চল্লিছটা পৰিয়ালক নিৰ্মমভাৱে উচ্ছেদ কৰে। কিন্তু উচ্ছেদিত লোকসকলৰ নাগৰিকত্ব কোনো আইনী প্ৰক্ৰিয়াৰে নিৰ্ধাৰণ হোৱা নাই। আনহাতে কৃষক আনন্দ দাসৰ হত্যাৰ ঘটনাত জড়িত প্ৰকৃত দোষীক কৰায়ত্ব কৰা আৰু হত্যাৰ ঘটনাটোৰ সঠিক তদন্ত আৰম্ভ কৰাৰ সলনি জিলা প্ৰশাসনে নিৰ্বিচাৰে উচ্ছেদ অভিযান আৰম্ভ কৰাত চি পি আই (এম)ৰ অসম ৰাজ্যিক কমিটিয়ে তীব্ৰ প্ৰতিবাদ কৰিছে। ইবাৰ মাজেৰে ৰাজ্য প্ৰশাসনৰ সাম্প্ৰদায়িক আৰু পক্ষপাতদুষ্ট আচৰণ ফুটি উঠিছে বুলি পাৰ্টিয়ে মত প্ৰকাশ কৰে। পাৰ্টিয়ে দাবী কৰিছে আনন্দ দাসৰ হত্যাৰ ঘটনাটোৰ উচিত তদন্ত হওক আৰু দোষীৰ বিৰুদ্ধে কঠোৰ শাস্তিমূলক ব্যৱস্থা ক্ষিপ্ৰতাৰে গ্ৰহণ কৰক। জিলা প্ৰশাসনে কোনো বাচ-বিচাৰ নকৰাকৈ চলোৱা উচ্ছেদ অভিযান বন্ধ কৰা আৰু উচ্ছেদিত লোকসকলক ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপনৰ বাবে চি পি আই (এম)-এ দাবী কৰিছে। এই ঘটনাক কেন্দ্ৰ কৰি সাম্প্ৰদায়িক আৰু বিভাজনবাদী শক্তিসমূহে যাতে সাম্প্ৰদায়িক উত্তেজনা আৰু সংঘাতৰ বাট মুকলি কৰিব নোৱাৰে তাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখিবলৈ সৰ্বস্তৰৰ জনসাধাৰণৰ প্ৰতি চি পি আই (এম) ৰ ৰাজ্যিক কমিটিয়ে আহ্বান জনাইছে। ২৪-১১-২০১৭

### চি পি আই (এম)ৰ ২২ সংখ্যক

# কামৰূপ মহানগৰ জিলা সন্মিলন

ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)ৰ ২২ সংখ্যক কামৰূপ মহানগৰ জিলা সন্মিলন যোৱা ২৫-২৬ নৱেম্বৰত গুৱাহাটীৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত অনুষ্ঠিত হৈ যায়। সন্মিলন উপলক্ষে মুকলি সভা ২৫ নৱেম্বৰত দিনৰ ১২.৩০ বজাত মাছেখোৱাৰ সাংস্কৃতিক প্ৰকল্পৰ চৌহদত অনুষ্ঠিত হয়। প্ৰায় তিনিশতাধিক লোক সভাত উপস্থিত থাকে। টিকেন দাসে সভাপতিত্ব কৰা উক্ত সভাত বক্তব্য ৰাখে দলৰ ৰাজ্যিক সম্পাদক দেবেন ভট্টাচাৰ্য আৰু ৰাজ্যিক সম্পাদকমণ্ডলীৰ সদস্য সুপ্ৰকাশ তালুকদাৰে। বক্তাদ্বয়ে কেন্দ্ৰ আৰু ৰাজ্যৰ বিজেপি নেতৃত্বাধীন চৰকাৰৰ জনবিৰোধী আৰ্থিক নীতি আৰু সাম্প্ৰদায়িক বিভাজনৰ ৰাজনীতিৰ তীব্ৰ সমালোচনা কৰে আৰু ইয়াৰ বিৰুদ্ধে ঐক্যবদ্ধ সংগ্ৰাম গঢ়ি তুলিবলৈ আহ্বান জনায়। তেওঁলোকে নাগৰিকত্ব সংশোধনী বিধেয়কৰ তীব্ৰ বিৰোধিতা কৰে আৰু এন আৰ চি উন্নীতকৰণ আৰু প্ৰকাশৰ প্ৰক্ৰিয়া পিছুৱাই দিয়াৰ বিজেপি চৰকাৰৰ পদক্ষেপৰ তীব্ৰ সমালোচনা কৰে। তেওঁলোকে অবিলম্বে সংখ্যাগুৰু সংখ্যালঘু নিৰ্বিশেষে সকলো ভাৰতীয় নাগৰিকৰ নাম অন্তৰ্ভুক্ত কৰি এখন শুদ্ধ এন আৰ চি ৩১ ডিচেম্বৰৰ ভিতৰত প্ৰকাশ কৰাৰ দাবী জনায়। মুকলি সভাৰ আৰম্ভণিতে সোণাপুৰ-ক্ষেত্ৰীৰ এটি সাংস্কৃতিক দলে সভাথলীত বড়ো নৃত্য পৰিৱেশন কৰে। সভাৰ আৰম্ভণিতে দলৰ জিলা সম্পাদক শতঞ্জীৱ দাসে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে।

মুকলি সভাৰ আগত সন্মিলন উপলক্ষে পাৰ্টিৰ পতাকা উত্তোলন কৰে, দেবেন ভট্টাচাৰ্য্যই আৰু শ্বহীদ বেদীত মাল্যদানৰ আৰম্ভণি কৰে সুপ্ৰকাশ তালুকদাৰে।

মুকলি সভাৰ পিছত প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পৰ চেমিনাৰ হ'লত সন্মিলনৰ প্ৰতিনিধি অধিৱেশন আৰম্ভ হয়। জিলাৰ মুঠ ১১৭ জন নিৰ্বাচিত প্ৰতিনিধিৰ ভিতৰ ১১২ জন সন্মিলনত উপস্থিত থাকে। তদুপৰি উপস্থিতি থাকে চাৰিজন দৰ্শক প্ৰতিনিধি। প্ৰতিনিধি অধিৱেশন উদ্বোধন কৰে ৰাজ্যিক সম্পাদক দেবেন ভট্টাচাৰ্যই। উদ্বোধনী ভাষণত কমঃ ভট্টাচাৰ্যই বৰ্তমান পৰিস্থিতিৰ প্ৰত্যাহবানসমূহ ব্যাখ্যা কৰে। কেন্দ্ৰ আৰু ৰাজ্যৰ বিজেপি নেতৃত্বাধীন চৰকাৰে আক্ৰমণাত্মকভাৱে কাৰ্যকৰী কৰা নব্যউদাৰবাদী আৰ্থিক নীতিৰ ফলত গোটেই দেশ আৰু ৰাজ্যখনৰ লগতে কামৰূপ মহানগৰ জিলাখনতো শ্ৰমিক, কৃষক তথা অন্যান্য অংশৰ শ্ৰমজীৱী ৰাইজৰ জীৱন-জীৱিকা কি ধৰণে আক্ৰান্ত হৈছে সেই সম্পৰ্কে ৰাজ্য সম্পাদকগৰাকীয়ে বিশদভাৱে আঙুলিয়াই দিয়ে। তেওঁ কয় যে আজি সমগ্ৰ দেশৰ লগতে আমাৰ ৰাজ্যখনতো বিজেপি দল আৰু চৰকাৰ সম্পৰ্কে ব্যাপক ৰাইজৰ মোহমুক্তি হ'ব ধৰিছে। এনেকুৱা পৰিস্থিতিত পাৰ্টিৰ স্বাধীন কাম-কাজ বহুগুণে বৃদ্ধি কৰা আৰু জনজীৱনৰ জ্বলন্ত সমস্যাসমূহক লৈ শ্ৰেণী আৰু গণ আন্দোলন গঢ়ি তোলাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। জনগণৰ ঐক্যবদ্ধ সংগ্ৰামেহে চৰকাৰ আৰু শাসক দলৰ সাম্প্ৰদায়িক বিভাজনৰ ৰাজনীতি পৰাস্ত কৰিব পাৰিব বুলি তেওঁ কয়।

সন্মিলনত জিলা সম্পাদক শতঞ্জীৱ দাসে জিলা কমিটিৰ ৰাজনৈতিক-সাংগঠনিক প্ৰতিবেদন উত্থাপন কৰে। প্ৰতিবেদনৰ ওপৰত ২৭ গৰাকী প্ৰতিনিধিয়ে আলাপ আলোচনা আগবঢ়ায়। তেওঁলোকে নিজ নিজ এলেকাত আন্দোলন-সংগ্ৰামৰ অভিজ্ঞতা দাঙি ধৰে আৰু অহা দিনত জিলাখনত পাৰ্টিৰ ৰাজনৈতিক প্ৰভাৱ তথা সাংগঠনিক শক্তি বৃদ্ধিৰ বাবে গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। শেষত কিছুমান সংশোধনী-সংযোজনীসহ প্ৰতিবেদনখন সন্মিলনে সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰে।

ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ সম্পৰ্কে, অযৌক্তিকভাৱে আৰু উচ্চ হাৰত জি এছ টি প্ৰৱৰ্তনৰ বিৰুদ্ধে, নাৰী নিৰ্যাতনৰ বিৰুদ্ধে আৰু আইনসভাত মহিলাৰ বাবে আইনসভাত ৩৩ শতাংশ আসন সংৰক্ষণৰ দাবীত, ৰাজ্য চৰকাৰৰ গণতন্ত্ৰবিৰোধী পদক্ষেপৰ বিৰুদ্ধে, গুৱাহাটী মহানগৰীৰ নাগৰিক আৰু পৌৰ সমস্যা সম্পৰ্কে আদি কেবাটাও প্ৰস্তাৱ সন্মিলনে গ্ৰহণ কৰে। আন এটি প্ৰস্তাৱৰ যোগেদি সন্মিলনে ২৭ নৱেম্বৰৰ পৰা আমচাঙ অঞ্চলত চৰকাৰৰ প্ৰস্তাৱিত উচ্ছেদ কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰে আৰু বিকল্প বাসস্থানৰ ব্যৱস্থা নকৰাকৈ উচ্ছেদ অভিযান বন্ধ ৰখাৰ দাবী জনায়।

সন্মিলনে সৰ্বসন্মতিক্ৰমে এটি পোন্ধৰ জনীয়া জিলা কমিটি নিৰ্বাচিত কৰে। জিলা কমিটিয়ে কমঃ শতঞ্জীৱ দাসক জিলা সম্পাদক হিচাবে নিৰ্বাচিত কৰে। দলৰ ৰাজ্যিক সম্পাদকমণ্ডলীৰ সদস্য কমঃ সুপ্ৰকাশ তালুকদাৰে সামৰণি ভাষণ দিয়ে আৰু আন্তৰ্জাতিক, জাতীয় তথা ৰাজ্যখনৰ বৰ্তমান পৰিস্থিতিত দেখা দিয়া বিপদ আৰু সম্ভাৱনাৰ দিশ সম্পৰ্কে বিবৰি কয়। তেওঁ কয় যে সকলো দিশৰ পৰা এটি শক্তিশালী পাৰ্টিয়ে মাত্ৰ বিপদক প্ৰতিহত কৰি সম্ভাৱনাক বাস্তৱায়িত কৰিব পাৰে। ৰাজ্যিক সম্পাদকমণ্ডলীৰ আন এগাৰকী সদস্য অজিত দাসো সন্মিলনত উপস্থিত থাকে।

টিকেন দাস, সীমা বিশ্বাস, বীৰেন শৰ্মাক লৈ গঠিত সভাপতিমণ্ডলীয়ে সন্মিলন পৰিচালনা কৰে। আন্তৰ্জাতিক সংগীতৰ সুৰমূৰ্চ্ছনাৰে সন্মিলনৰ সামৰণি পৰে।

প্ৰতিবেদক ঃ **শতঞ্জীৱ দাস**

### ১০ ডিচেম্বৰত কুসংস্কাৰ-অন্ধবিশ্বাসবিৰোধী দিৱস

# ৰাজ্যৰ বিভিন্ন প্ৰান্তত হেমচন্দ্ৰ বৰুৱাৰ জন্মদিন

## মঙলদৈ চহৰত কেন্দ্ৰীয় অনুষ্ঠান

আধুনিক অসমৰ অগ্ৰদূত, কু-সংস্কাৰ আৰু অন্ধবিশ্বাসবিৰোধী যুঁজৰ অন্যতম বাটকটীয়া তথা ঊনবিংশ শতিকাৰ অসমীয়া ভাষা-সাহিত্যৰ যুগন্ধৰ ব্যক্তি পণ্ডিত হেমচন্দ্ৰ বৰুৱাৰ জন্মদিনটো ইলোৰা বিজ্ঞান মঞ্চই প্ৰতিবছৰে কুসংস্কাৰ আৰু অন্ধবিশ্বাসবিৰোধী দিৱস হিচাপে পালন কৰি আহিছে। এইবেলিও হেমচন্দ্ৰৰ জন্মদিন ১০ ডিচেম্বৰত ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকা বিজ্ঞান মঞ্চৰ শাখাসমূহে সম-মনোভাবাপন্ন সংগঠনসমূহৰ সৈতে এই দিৱস পালন কৰিব।

'কু-সংস্কাৰ আৰু অন্ধবিশ্বাসবিৰোধী দিৱস'ৰ কেন্দ্ৰীয় অনুষ্ঠান অহা ৯ আৰু ১০ ডিচেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে মঙলদৈ চহৰত অনুষ্ঠিত হ'ব। ৯ ডিচেম্বৰত চহৰখনৰ বিভিন্ন অঞ্চলত বাটৰ নাট প্ৰদৰ্শন আৰু পথসভা আদি অনুষ্ঠিত কৰাৰ মাজেৰে কাৰ্যসূচী আৰম্ভ হ'ব। ১০ ডিচেম্বৰত পুৱা ৯ বজাত মঙলদৈ জিলা পুথিভঁৰাল প্ৰাংগণত পতাকা উত্তোলন আৰু হেমচন্দ্ৰৰ প্ৰতিকৃতিত মাল্যাৰ্পণ তথা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ মাজেৰে মূল কাৰ্যসূচী আৰম্ভ হ'ব। ইয়াৰ পাছতে চহৰত অন্ধবিশ্বাসবিৰোধী এক বৰ্ণাঢ্য শোভাযাত্ৰা বাহিৰ কৰা হ'ব। দিনৰ ১১ বজাত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত সভা আৰু আলোচনা চক্ৰৰ আয়োজন কৰা হৈছে। অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিচিত্ৰ কুমাৰ মেধিৰ সঞ্চালনাত অনুষ্ঠিত হ'ব লগা সভাত বিজ্ঞান মঞ্চৰ সভাপতি ড° চন্দ্ৰমোহন শৰ্মা, বিশিষ্ট বিজ্ঞানী ড° দীনেশ চন্দ্ৰ গোস্বামী, চিকিৎসক ডাঃ কমলেশ্বৰ নাথ প্ৰমুখ্যে ব্যক্তিসকলে নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ দিব। অনুষ্ঠানত বিশিষ্ট গণশিল্পী সুদক্ষিণা শৰ্মা আৰু ঋষিৰাজ শৰ্মায়ো অংশগ্ৰহণ কৰি গীত পৰিৱেশন কৰিব।

মঙলদৈত অনুষ্ঠিত হ'বলগীয়া কেন্দ্ৰীয় অনুষ্ঠান সফল কৰাৰ বাবে অসম বিজ্ঞান সমিতি, জ্ঞান-বিজ্ঞান সমিতি, চি আৰ ইউ, দৰং জিলা মহিলা সমিতি, ডি ৱাই এফ আই, ক্ৰিষ্টেল ভিজন, নৰ্থ ইষ্ট ড্ৰামা এণ্ড ডেন্স একাডেমী, ড'নাক গিল্ড, মঙলদৈ মিডিয়া চাৰ্কোল, মঙলদৈ প্ৰেছ ক্লাব, অসম লেখিকা সমাৰোহ, অসম লেখিকা সংস্থা. ড° ভূপেন হাজৰিকা স্মৃতিৰক্ষা সমিতি প্ৰভৃতি সংগঠনসমূহে সহযোগী সংগঠন হিচাপে যুক্ত হৈ পৰিছে।

পণ্ডিত হেমচন্দ্ৰ বৰুৱাৰ জন্মদিনটো যথাযোগ্য মৰ্যাদাৰে পালন কৰাৰ বাবে ৰাজ্যৰ অন্যান্য প্ৰান্ততো প্ৰস্তুতি চলিছে। ইতিমধ্যে ইলোৰা বিজ্ঞান মঞ্চৰ শাখাসমূহে অন্যান্য স্থানীয় সম-মনোভাবাপন্ন সংগঠনসমূহৰ সৈতে যৌথভাৱে দিৱসটো পালন কৰাৰ বাবে ডিব্ৰুগড়, গুৱাহাটী, শিৱসাগৰ, নগাঁও, নলবাৰী, পাঠশালা, ছয়গাঁও, বৰপেটা ৰোড, বঙাইগাঁও প্ৰভৃতি ঠাইত যো-জা আৰম্ভ কৰিছে।

গুৱাহাটীত ৯ ডিচেম্বৰৰ দিনা এক মনোজ্ঞ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত বিশিষ্ট চিন্তাবিদ, যুক্তিবাদী লেখক ড° শিৱনাথ বৰ্মনে 'হেমচন্দ্ৰ বৰুৱা আৰু অসমৰ যুক্তিবাদী আন্দোলনৰ ঐতিহ্য' শীৰ্ষক বিষয়ৰ ওপৰত নিৰ্দিষ্ট বক্তাৰ ভাষণ দিব।

ইলোৰা বিজ্ঞান মঞ্চই অহা ৯-১০ ডিচেম্বৰৰ অন্ধবিশ্বাসবিৰোধী দিৱসৰ কাৰ্যসূচীসমূহত অংশগ্ৰহণ কৰি ইয়াক সফল কৰাৰ বাবে ৰাজ্যৰ সকলো বিজ্ঞানমনস্ক আৰু যুক্তিবাদী জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)-ৰ অসম ৰাজ্যিক কমিটিৰ হৈ হেমেন দাসৰ দ্বাৰা গণশক্তি প্ৰকাশন, পি ডি চলিহা পথ, হেদায়েৎপুৰ, গুৱাহাটী-৩ ত মুদ্ৰিত আৰু অচিন্ত্য-নন্দেশ্বৰ ভৱন, গুৱাহাটী - ৩ ৰ পৰা প্ৰকাশিত
সম্পাদকীয় কাৰ্যালয় ঃ হেদায়েৎপুৰ, গুৱাহাটী-৩ ফোন ঃ ২৬৬৫৬৩৬, ২৬৬৩১৮৩ ফেক্স ঃ (০৩৬১) ২৬৬০৭৩১ E-mail : ganasakti71@gmail.com, মেনেজাৰিয়েল কাৰ্যালয় ঃ হেদায়েৎপুৰ, গুৱাহাটী-৩ সম্পাদক ঃ সুপ্ৰকাশ তালুকদাৰ